সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ২১ সংখ্যা, ৯ জেঠ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 21 Date of Publication- 24 May 2026 Rs. 10.00/-

## ১০ দিনত তৃতীয়বাৰৰ বাবে বৃদ্ধি পেট্ৰ'ল-ডিজেলৰ মূল্য



ৰঙিলী বাৰ্ত্তাসেৱা- মধ্যপ্ৰাচ্যৰ সংকট আৰু তেল আৰু গেছৰ নাটনিৰ পিছত দেশত পুনৰ বৃদ্ধি পাইছে পেট্ৰ'ল-ডিজেলৰ মূল্য । বিগত ১০ দিনত তৃতীয়বাৰৰ বাবে পেট্ৰ'ল-ডিজেলৰ মূল্য বৃদ্ধি পাইছে । এইবাৰ প্ৰতি লিটাৰ পেট্ৰ'লত ৮৭ পইচা আৰু প্ৰতি লিটাৰ ডিজেলত ৯১ পইচা বৃদ্ধি কৰা হৈছে । শনিবাৰে পুৱাৰ ভাগতে দেশৰ ৰাজধানী নতুন দিল্লীত প্ৰতিলিটাৰ পেট্ৰ'লৰ দাম ৮৭ পইচাকৈ বৃদ্ধি পায়। ডিজেলৰ দাম বৃদ্ধি পায় প্ৰতিলিটাৰত ৯১ পইচা। ইয়াকে লৈ যোৱা ১০টা দিনত তিনিবাৰকৈ দাম বাঢ়িল পেট্ৰ'ল-ডিজেলৰ। পশ্চিম এছিয়াৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত পেট্ৰ'ল আৰু ডিজেলৰ দাম বৃদ্ধিৰ ফলত বিৰূপ প্ৰভাৱ পাইছে সাধাৰণ নাগৰিকৰ ওপৰত। এফালে যিদৰে ব্যয় বৃদ্ধি পাব, তেনেদৰে বাছ, টেৰি দৰে ৰাজহুৱা পৰিবহণতো পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধিয়ে প্ৰভাৱ পেলাব। যোৱা ১৫ মে'ত সমগ্ৰ দেশতে প্ৰতিলিটাৰ পেট্ৰ'লৰ দাম একেকোবে ৩ টকাকৈ বৃদ্ধি পাইছিল। তাৰ পিছত যোৱা ১৯ মে'ত পুনৰ বৃদ্ধি পায় দাম। পেট্ৰ'লৰ দাম বৃদ্ধি পায় ৯০ পইচাকৈ। এইবাৰ ৮৭ পইচাকৈ বৃদ্ধি হোৱাত যোৱা ১০ দিনত ৫ টকা বৃদ্ধি পায় পেট্ৰ'লৰ দাম। ইতিমধ্যে পশ্চিম এছিয়াত চলি থকা সংকটৰ পৰিপ্ৰেক্ষিতত দেশবাসীক ইন্ধন ব্যয়ৰ ক্ষেত্ৰত মিতব্যয়ী হোৱাৰ আহ্বান জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আগন্তুক এবছৰৰ বাবে সোণ নিকিবলৈও পৰামৰ্শ দিছে

( দহ পৃষ্ঠাত চাওক)

## শিৱসাগৰত অ'এনজিচিৰ বিৰুদ্ধে গৰজি উঠিল সদৌ টাই আহোম ছাত্ৰ সন্থা



ৰঙিলী বাৰ্ত্তাসেৱা- শিৱসাগৰত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড, চমুকৈ অ'এনজিচিৰ বিৰুদ্ধে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সংবাদমেল। অ'এনজিচিৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ আটাছুৰ। অ'এনজিচিয়ে সাম্প্ৰতিক সময়ত থলুৱাবিৰোধী নীতি গ্ৰহণ কৰাত গৰজি উঠিছে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি। এখন সংবাদ মেলত সংগঠনটোৰ সভাপতি বসন্ত গগৈয়ে কয় যে

(দহ পৃষ্ঠাত চাওক)

## ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি-পত্ৰ বিতৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে ১৯সংখ্যক ৰোজগাৰ মেলা উপলক্ষে ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাৰ ৫১ হাজাৰৰো অধিক যুৱক- যুৱতীক নিযুক্তি-পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে এই দিনটোক সমগ্ৰ দেশৰ হাজাৰ হাজাৰ যুৱকৰ বাবে এক উল্লেখযোগ্য দিন বুলি অভিহিত কৰে। চৰকাৰী সেৱাত নতুনকৈ প্ৰবেশ কৰাসকলক আদৰণি জনাই তেওঁ ৰে'লৱে, বেংকিং, প্ৰতিৰক্ষা, স্বাস্থ্য আৰু শিক্ষাকে ধৰি বিভিন্ন খণ্ডত ভাৰতৰ উন্নয়নত তেওঁলোকে আগবঢ়াবলগীয়া অৱদানৰ বিষয়ত

( চাৰিপৃষ্ঠাত চাওক)

## লাচিত কুমাৰ দাসৰ পৰা ৫ কোটি টকাৰ সম্পত্তি জব্দ







ৰঙিলী বাৰ্ত্তাসেৱা- উৎকোচ লৈ ৰঙাঘৰৰ আলহী হোৱা উচ্চপদস্থ চৰকাৰী বিষয়া লাচিত কুমাৰ দাসৰ ঘৰত ওলাইয়ে আছে টকা । গ্ৰেপ্তাৰৰ ৪৮ ঘণ্টা পাৰ হৈ যোৱাৰ পিছতো অন্ত পৰা নাই দুৰ্নীতিৰ সদাগৰ লাচিত কুমাৰ দাসৰ কু-কীৰ্তিৰ আখ্যান। ভুক্তভোগীৰ পৰা এনঅ'চি দিয়াৰ বাবদ ৪৫ হাজাৰ টকা লোৱাৰ সময়ত হাতে-লোটে নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে দাসক গ্ৰেপ্তাৰ কৰি চলোৱা তদন্তৰ পিছতে এফালৰ পৰা পোহৰলৈ আহিব ধৰিছে ধনকুবেৰ দাসৰ সকলো তথ্য। যোৱা ২১ মে'ত গ্ৰেপ্তাৰৰ পিছতে বিষয়াজনৰ বেলতলাৰ ৰাণীবাগানৰ কুইন গাৰ্ডেন এপাৰ্টমেন্টত থকা ফ্ৰেটত চলোৱা তালাচীত তদন্তকাৰী বিষয়াই শোৱনি কোঠাৰ আলমিৰাৰ পৰা জব্দ কৰিছিল ৪৮, ৩৮, ১৫০ টকা নগদ ধন। ইয়াৰ বাহিৰেও সেইদিনাই তদন্তকাৰী দলে ফ্লেটটোৰ পৰা জব্দ কৰিছিল ৯টা বিভিন্ন বেংকত থকা বিষয়া দাসৰ ৮০ লাখ টকাৰ ফি'ড ডিপ'জিটৰ ৰচিদৰ লগতে ৪৮৩.৫৪ গ্ৰাম সোণৰ অলংকাৰ। বজাৰ মূল্য অনুসৰি

( দুই পৃষ্ঠাত চাওক)


## ভাৰতৰ আন এক বৃহৎ সফলতা



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতিৰক্ষা ক্ষমতাক আৰু অধিক শক্তিশালী কৰি ভাৰতে চুটি দূৰত্বৰ বেলিষ্টিক মিছাইল 'অগ্নি-১' সফলতাৰে পৰীক্ষণ কৰে। শুকুৰবাৰে ওড়িশাৰ উপকূলত ষ্ট্ৰেটেজিক ফ'ৰ্চেজ ক'মাণ্ডৰ তত্ত্বাৱধানত এই পৰীক্ষা সম্পন্ন কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ তৰফৰ পৰা এই তথ্য প্ৰকাশ কৰা হৈছে। কোৱা হৈছে যে পৰীক্ষাৰ সমস্ত যোগ্যতা মান সফলভাৱে পাৰ কৰিছে ক্ষেপণাস্ত্ৰটোৱে। প্ৰতিৰক্ষা বিভাগৰ তৰফৰ পৰা জানিব পৰা মতে, হ্ৰস্ব দূৰত্বৰ এই ক্ষেপণাস্ত্ৰই ৭০০ৰ পৰা ১, ২০০ কিঃ মিঃ দূৰত্বৰ লক্ষ্য ভেদিব পাৰে। অত্যন্ত দ্ৰুতগতিত

( তিনিপৃষ্ঠাত চাওক)

# এভাৰেষ্টৰ শিখৰত অসম কন্যা






ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউন্ট এভাৰেষ্ট আৰোহণ কৰা প্ৰথমগৰাকী অসমীয়া মহিলা হিচাপে ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছে লখিমপুৰৰ পৰ্বতাৰোহী ৰূপামণি গড়ে। বৃহস্পতিবাৰে পুৱা ৰূপামণি সফলতাৰে বিশ্বৰ সৰ্বোচ্চ শিখৰত উপনীত হয়। এভাৰেষ্টৰ শীৰ্ষত ত্ৰিৰংগা আৰু অসমৰ পতাকা উত্তোলন কৰি ৰাজ্যখনৰ বাবে এক গৌৰৱৰ মুহূৰ্ত উদযাপন কৰে। লখিমপুৰৰ জীয়ৰী ৰূপামণি গড়ে প্ৰথম অসমীয়া মহিলা হিচাপে মাউন্ট এভাৰেষ্টত আৰোহণ কৰি নজিৰ গঢ়িবলৈ সক্ষম হৈছে। আইটিবিপিৰ ১১ মহিলা পৰ্বতাৰোহণকাৰীৰ উপৰি দলটোত তিনিজন কাৰিকৰী আৰু সহায়কসহ মুঠ ১৪গৰাকী সদস্য আছিল। দলটোৱে নেপালৰ দিশৰ পৰা ‘ছাউথ কোল’ পথেৰে বিশ্বৰ সৰ্বোচ্চ উচ্চতাৰ ৮, ৮৪৮ মিটাৰৰ শৃংগটো যোৱা ২১ মে’ত জয় কৰিবলৈ সক্ষম হয়। সেইদিনা পুৱা ৬.৫২ বজাত দলৰ প্ৰথম সদস্যগৰাকীয়ে সফলভাৱে শিখৰত আৰোহণ কৰা বিষয়টো নথিবদ্ধ হৈছে। প্ৰথম অসমীয়া মহিলা হিচাপে ৰূপামণি গড়ে মাউন্ট এভাৰেষ্টত পদাৰ্পণ কৰাটো স্বাভাৱিকতে বিবেচিত হৈছে এক মাইলষ্ট’ন ৰূপে। অসমৰেই ভণিতা টিমুংপিয়ে দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে ক্লাইম্বিং লীডাৰৰ দায়িত্বত আছিল অনুপ কুমাৰ। সেইদৰে কাৰিকৰী-সহায়ক দলক নেতৃত্ব দিয়ে আইএফএমজিএৰ প্ৰখ্যাত গাইড সোণম চিৰিং লামাই। আইটিবিপিৰ প্ৰথম সম্পূৰ্ণ নাৰী সদস্যবিশিষ্ট আন্তৰ্জাতিক মাউন্ট এভাৰেষ্ট অভিযানে কেইবাটাও দিশৰ পৰা তাৎপৰ্য *( তিনিপৃষ্ঠাত চাওক)*

# লাচিত কুমাৰ দাসৰ পৰা ৫ কোটি

জব্দকৃত সোণৰ অলংকাৰখিনিৰ আজিৰ তাৰিখত দাম হৈছে প্ৰায় ৮০ লাখ টকাৰো অধিক। ইয়াৰ বাদেও শুকুৰবাৰে নিশাৰ ভাগতো দুৰ্নীতি নিবাৰকে বেলতলা ৰাণীবাগানত থকা আন এটা ফ্লেটত চলোৱা অভিযানত এটা ষ্টীলৰ আলমিৰাৰ ভিতৰত ১ কোটি ১৭ লাখ ৩০ হাজাৰ টকা নগদ ধন জব্দ কৰে। তালাচীৰ সময়ত তদন্তকাৰী দলে বিষয়াজনৰ ৰুক্মিণীগাঁৱত থকা চৰকাৰী আৱাসৰ পৰা জব্দ কৰিছে এটা পইন্ট ৩২ পিষ্টল। দুৰ্নীতি নিৰ্বাৰকৰ সূত্ৰই সদৰী কৰা মতে, পিষ্টলটোৰ অনুজ্ঞাপত্ৰ দাসৰ নামত আছে। দুৰ্নীতি নিবাৰকে সদৰী কৰা মতে, প্ৰায় পাঁচ কোটি টকাৰ অস্থাৱৰ সম্পত্তিৰ সম্ভেদ বৰ্তমানলৈকে লাভ কৰা হৈছে। ইয়াৰ বাদেও দুৰ্নীতিৰে নিশাটোৰ ভিতৰতে লাখ লাখ টকা উপাৰ্জন কৰা দুৰ্নীতিগ্ৰস্ত বিষয়া দাসে এবছৰ পূৰ্বে বেলতলাৰ ৰাণীবাগানৰ কুইন গাৰ্ডেন এপাৰ্টমেণ্টৰ সন্মুখত প্ৰায় চাৰি কোটি টকা ব্যয়সাপেক্ষে ক্ৰয় কৰিছে এডোখৰ ম্যাদীপট্টাৰ ভূমি। দুৰ্নীতি নিবাৰকৰ তথ্য মতে, বৰ্তমানলৈকে বিষয়াজনৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা নথি অনুসৰি ৰহাত এক বিঘা, হোজাইত চাৰি কঠা ১১ লেচা, বেলতলাৰ দুই স্থানত ক্ৰমে এক কঠা ১.৬৭ লেচা, এক কঠা ১০ লেচা ভূমিৰ লগতে বিষয়াজনৰ নামত বেলতলাৰ ৰাণীবাগানত আছে দুটাকৈ বিলাসী ফ্লেট। সূত্ৰটোৱে সদৰী কৰা মতে, হোজাইত এডিচিৰূপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়তে মাটি বিক্ৰীৰ নামত বহু টকাৰ দুৰ্নীতি কৰিছিল লাচিত কুমাৰ দাসে। পৰৱৰ্তী সময়ত হোজাইৰ পৰা লখিমপুৰলৈ জিলা আয়ুক্তৰূপে পদোন্নতি লাভ কৰি বদলি হৈছিল লাচিত কুমাৰ দাস। লখিমপুৰতো জিলা আয়ুক্তৰূপে অধিষ্ঠিত হোৱাৰ দিনাৰে পৰা কেৱল টকাৰ পিছতে দৌৰিছিল দাসে। যিকোনো ফাইল সেয়া লাগিলে ভূমি সম্পৰ্কীয়েই হওক বা আন ঠিকা-ঠুকলি সন্দৰ্ভতেই হওক, কোনোৱে লাচিত কুমাৰ দাসক ধন নিদিয়াকৈ মুকলি কৰিব পৰা নাছিল। লখিমপুৰত চৰকাৰে চলোৱা উচ্ছেদৰ সময়তো বহু সন্দেহজনক পৰিয়ালক ধনৰ বিনিময়ত নিজৰ ভূমিত উচ্ছেদৰ পৰা ৰক্ষা পৰাৰ ব্যৱস্থা কৰি দিছিল দাসে। পৰৱৰ্তী সময়ত এই সন্দৰ্ভত বহু লোকে চৰকাৰক অভিযোগ দিয়াৰ পিছত দাসক মহানগৰীৰ ৰূপনগৰস্থিত ভূমিলেখ্য সঞ্চালকালয়লৈ অতিৰিক্ত ভূমিলেখ্য অধিকৰ্তা বা সঞ্চালক ৰূপত বদলি কৰা হয়। ইয়ালৈ বদলি হৈ অহাৰ পিছতো বিষয়াজনক অতিৰিক্তভাৱে দুৰ্যোগ ব্যৱস্থাপনা আৰু ৰাজহ বিভাগৰ অতিৰিক্ত সচিবৰ দায়িত্ব চৰকাৰৰ পৰা প্ৰদান কৰা হয়। ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ আয়ুক্ত সচিবে ই ৪৩৫০৩৫/২০২৪ নিৰ্দেশযোগে বিষয়া দাসৰ ওপৰত এক গুৰু দায়িত্ব অৰ্পণ কৰিছিল। নিৰ্দেশটোত কোৱা হৈছিল যে ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ অতিৰিক্ত সচিব লাচিত কুমাৰ দাসক আন্তঃধৰ্ম ভূমি ক্ৰয়-বিক্ৰীৰ এনঅ’চি বিষয়ক কথাবোৰ চোৱাচিতা কৰিবলৈ ন’ডেল বিষয়া হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। এই নিয়ম অনুসৰি যদিহে এটা ধৰ্মৰ মানুহে আন এটা ধৰ্মৰ মানুহক ভূমি বিক্ৰী অথবা ক্ৰয় কৰে তেন্তে চৰকাৰৰ ফালৰ পৰা ক্ৰয় বা বিক্ৰী কৰাৰ পূৰ্বে এখন আপত্তিবিহীন প্ৰমাণ-পত্ৰ অৰ্থাৎ এনঅ’চিৰ প্ৰয়োজন হয়। সেইখন লাভ কৰাৰ পিছতহে নিৰ্দিষ্ট ভূমিখিনি বিক্ৰী অথবা ক্ৰয় কৰিব পাৰে। শ্ৰেণী বিভাজনৰ নামত প্ৰদান কৰিবলগীয়া এনঅ’চিৰ বাবদ একোজন লোকৰ পৰা উৎকোচ হিচাপে ৮০ হাজাৰৰ পৰা কেইবালাখ টকা সংগ্ৰহ কৰিছিল বিষয়াজনে। যি লোকে ধন আদায় দিয়া নাছিল তেওঁলোকৰ ফাইলবোৰ চহী নকৰাকৈ দীৰ্ঘদিন ধৰি পেলাই থৈছিল বিষয়াজনে। এনেদৰেই চৰকাৰী এই ব্যৱস্থাকো সংগ্ৰহৰ আহিলাৰূপে লৈ অতি কম দিনৰ ভিতৰতে কোটি কোটি টকা উপাৰ্জন কৰিছিল বিষয়াজনে। বৰ্তমানলৈকে বিষয়াজনৰ প্ৰায় ৫ কোটি টকাৰ অস্থাৱৰ সম্পত্তিৰ সম্ভেদ দুৰ্নীতি নিবাৰকে লাভ কৰিবলৈ সক্ষম হৈছে। আন বহু নথি-পত্ৰও বিষয়াজনৰ ঘৰৰ পৰা জব্দ কৰা হৈছে। উক্ত নথি-পত্ৰসমূহো বৰ্তমানে পৰীক্ষা কৰি থকা হৈছে। এই পৰিমাণ পূৰ্বতকৈ হয়তো বঢ়াৰ সম্ভাৱনা আছে বুলি দুৰ্নীতি নিবাৰকৰ সূত্ৰটোৱে সদৰী কৰিছে। লাভকৰা নথি-পত্ৰসমূহৰ ভিত্তিত দুৰ্নীতি নিবাৰকে বিভিন্ন স্থানত অভিযান অব্যাহত ৰাখিছে। আদালতে বিষয়া লাচিত কুমাৰ দাসক কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। প্ৰয়োজনত দুৰ্নীতি নিবাৰকে কাৰাগাৰৰ ভিতৰতো জেৰা চলোৱাৰ সম্ভাৱনা আছে।

সম্পাদকীয় শিতান...

# কেকোঁৰা নে জখলা






**দেৱাশীষ গোস্বামী**

আমাৰ জাতিটো কেকোঁৰা জাতি বুলি বিশ্ব দৰবাৰত ইতিমধ্যেই প্ৰতিষ্ঠিত। তাকে লৈ আমি গৰিষ্ঠ সংখ্যক গৰ্বিতও। অতি গৰ্বেৰে কেকোঁৰাৰ বৈশিষ্ট পৰিত্যাগ কৰাৰ অকণো সদিচ্ছা আমাৰ যে নাই সমস্বৰেৰে ডিঙি ফুলাই আনৰ আগত অকণো কৃপনালি নকৰি ব্যক্ত কৰাত আমিবোৰ সিদ্ধহস্ত। আনৰ উন্নতি মুঠেও চকুপাৰি দেখিব নোৱাৰা, সহ্য কৰিব নোৱাৰা, লাজেও আমাক দেখিলে লাজ পোৱা, অতি বেছি পৰশ্ৰীকাতৰ এটা জাতিৰ অংশ আমিবোৰ। নিজৰে জাতি ভাইক মাৰি ৰজা হোৱাৰ মানসিকতা তথা কৰ্মকাণ্ডৰে সকলোৰে সন্মুখত প্ৰায়ে জিলিকি থাকো আমিবোৰ। মঙ্গল গ্ৰহত মানুহে ঘৰ সজাঁৰ গুনাগঁঠা কৰি থকাৰ মাজতে আমাৰ প্ৰায় সৈংখ্যকৰে মাজত সদা বিৰাজমান ওপৰলৈ উঠিব খোজা কেকোঁৰাতোক তলত থকাতোৱে টানি পুনৰ তললৈ, নিজৰ লগলৈ লৈ যোৱাৰ দৰে মানসিকতা, কৰ্ম-কাণ্ডবোৰক ধিক্কাৰ দিবলৈও শব্দৰ অভাব। আনৰ ভাল দেখিলে, শুনিলে আমাৰ গৰিষ্ঠ সংখ্যকৰে গাত পোৰণি উঠে, বুকুৰ কোনোবা এটা কোণত যেন কিহবাই কামোৰ হে মাৰি ধৰে। সেই বিশেষ ক্ষণত বৰ কষ্টৰে আমিবোৰে অতি উৎফুল্লিত হোৱাৰ অভিনয় নিখুঁট ভাবে কৰিব লগীয়াত পৰো, নহয়নে বাৰু? পিছে মাজে সময়ে কেউ কিছুৰ বৰ কষ্টৰে উৎফুল্লিত হোৱাৰ অভিব্যক্তি মুখৰ কৃত্তিম হাঁহিটোত স্পষ্ট ভাবে ফুটি উঠে। নিজৰে নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ সুদীৰ্ঘকালৰ মানসিকতাৰ বাবে আজি আমাৰ জাতিতোক আন জাতিৰ বিকাশ নামৰ গাড়ী খনে হেলাৰঙে OVERTAKE কৰি নিৰ্বিঘ্নে আগুৱাই যাবলৈ সক্ষম হৈছে, অপ্ৰিয় হলেও কথাষাৰ যে সত্য, বিভিন্ন সময়ত প্ৰমাণিত হৈ আহিছে।

এতিয়াৰ সময় আমাৰ বোৰৰ বাবে পিছৰ প্ৰজন্মলৈ আৰ্হি প্ৰতিষ্ঠা কৰাৰ সময়। এনে এক সময়ৰ সন্ধিক্ষণত আমাৰ গৰিষ্ঠ সংখ্যকৰ ঠেক মানসিকতা তথা নিকৃষ্ট কৰ্মকাণ্ডই আমাৰ সকলোৰে উন্নতিৰ শিখৰত আগুৱাই যোৱাৰ পথতো বিপদ সংকুল কৰি তোলাৰ লগতে ভবিষ্যত প্ৰজন্মক অন্ধকাৰ ভবিষ্যতৰ দিশে ঠেলি দিয়াতো ধুৰূপ।

উন্নতিৰ জখলাডাল বগোৱা বৰ সহজ কথা নহয়। পদে পদে নানা বাধাৰ প্ৰাচীৰ। এই প্ৰাচীৰ অতিক্ৰমি উন্নতিৰ জখলা বগাবলৈ আমাক অতিকৈ প্ৰয়োজন আপোন জনৰ লগতে বিভিন্ন জনৰ SUPPORT নিস্বাৰ্থ ভাবে। কৃতজ্ঞতা প্ৰকাশৰ অনীহাও অন্যতম এক উন্নতিৰ বাধাৰ প্ৰাচীৰ।

আমাৰ প্ৰত্যেকৰে জীৱনত উন্নতিৰ জখলাডালৰ গুৰুত্ব অনস্বীকাৰ্য্য। ভুকুতে কলটো নপকাৰ দৰে যদিহে আলাদিনৰ চাকিটো পোৱা নাযায়, আমিও উন্নতিৰ জখলাডালৰ তলৰ খাপৰ পৰা পোনচাতেই একদম ওপৰৰ খাপ পোৱাটো প্ৰায় অসম্ভব। আনহাতে জখলাডালৰ তলতে আমাৰেই মুখাধাৰি কেকোঁৰা জাতি ভাই সমূহ ৰৈ আছেই 24x7 তীক্ষ্ণ দৃষ্টিৰে নিজৰ নিজৰ দায়িত্ব সুচাৰু ৰূপে, নিপুন ভাবে পালন কৰিবলৈ।

আমাৰ চাৰিওফালৰ বিভিন্ন মুখাধাৰি কেকোঁৰা সমূহক উচিত সময়ত চিনাক্ত কৰি নিৰ্মূল নকৰিলে পিছপৰা জাতিৰ সৰ্বোচচ স্থান দখল কৰিবলৈ সময় তেনেই তাকৰ।

পিছে আপুনি একা?

উন্নতিৰ শিখৰত আৰোহনৰ সহায়ক সেই বিশেষ জখলাডাল নে তললৈ টানিবলৈ 24x7 প্ৰস্তুত মুখাধাৰি কেকোঁৰা বোৰৰে এজন?

# ষষ্ঠদশ বিধানসভাত ১ ঘণ্টা ১৫ মিনিট ভাষণ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ষষ্ঠদশ বিধানসভাৰ দ্বিতীয় দিনটোত ভাষণ প্ৰদান কৰে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। শক্তিশালী জনাদেশ আৰু যোৱা ৫ বছৰৰ সাফল্যৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী ৫ বছৰৰ বাবে নতুন চৰকাৰখনে এক স্পষ্ট পৰিকল্পনা প্ৰস্তুত কৰাৰ কথা উল্লেখ কৰি ভাষণত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয়- নতুন চৰকাৰে গ্ৰহণ কৰা এই পৰিকল্পনাৰ কেন্দ্ৰবিন্দু হৈছে অসমৰ যুৱক-যুৱতীসকলৰ বাবে বৃহৎ পৰিসৰত নিযুক্তিৰ সুযোগ সৃষ্টি কৰা। ৰাজ্যখনৰ যুৱপ্ৰজন্মক অসমৰ বিকাশ আৰু সমৃদ্ধিৰ সক্ৰিয় অংশীদাৰ কৰি তোলাৰ বাবেও এই চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। সদনত ১ ঘণ্টা ১৫ মিনিটৰ দীঘলীয়া ভাষণত ৰাজ্যপালগৰাকীয়ে কয়, অহা ৫ বছৰত খিলঞ্জীয়াৰ অধিকাৰ আৰু জনসংখ্যাৰ সুৰক্ষাৰ বাবে আইনী তথা প্ৰশাসনিক পৰিকাঠামো অধিক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা হ'ব। অবৈধ অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰা আৰু এই লোকসকলক ঘূৰাই পঠিওৱাৰ প্ৰক্ৰিয়া দ্ৰুত কৰিবলৈ ইমিগ্ৰেণ্টছ (এক্সপালছন ফ্ৰম আছাম) এক্ট ১৯৫০ বলবৎ কৰাৰ বাবে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হ'ব। ৰাজ্যখনৰ জনসংখ্যাৰ ভাৰসাম্য আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশ ৰক্ষা কৰিবলৈ নতুন চৰকাৰে আইনগত আৰু ধাৰাবাহিক ব্যৱস্থা গ্ৰহণ অব্যাহত ৰাখিব। ৰাজ্যৰ জনজাতি আৰু খিলঞ্জীয়া লোকৰ অধিকাৰ প্ৰসংগত ভাষণত ৰাজ্যপালগৰাকীয়ে কয়- জনজাতীয় আৰু খিলঞ্জীয়া লোকসকলৰ পৰম্পৰাগত অধিকাৰ, ৰীতি-নীতি আৰু সামাজিক প্ৰতিষ্ঠানসমূহক সম্পূৰ্ণৰূপে সুৰক্ষিত কৰি উমৈহতীয়া দেৱানি বিধি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাত চৰকাৰে কাম কৰিব। ইয়াৰ উদ্দেশ্য হ'ল অসমৰ খিলঞ্জীয়া সমাজৰ অনন্য সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত ব্যৱস্থাক সংৰক্ষণ কৰি সমতা আৰু ন্যায় নিশ্চিত কৰা। খিলঞ্জীয়া লোকৰ ভূমিৰ ওপৰত অবৈধ বেদখল, সংগঠিত আন্তঃসীমান্ত গৰু সৰবৰাহ আৰু সামাজিক সম্প্ৰীতি, ৰাজহুৱা শৃংখলা আৰু বৈধ শাসনৰ বাবে ক্ষতিকাৰক আন কাৰ্যকলাপসমূহ নিয়ন্ত্ৰণ কৰিবলৈ বিধায়িনী আৰু প্ৰশাসনিক ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰা হ'ব। ৰাজ্যৰ বিত্তীয় ব্যৱস্থাৰ কথা উল্লেখ কৰি ৰাজ্যপালে তেওঁৰ ভাষণত কয়- অসমৰ অৰ্থনীতিয়ে শক্তিশালী স্থায়িত্ব আৰু বিকাশৰ গতি ধাৰাবাহিকভাৱে প্ৰদৰ্শন কৰি আহিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন (জিএছডিপি) ৮.৭১ লাখ কোটি টকা বুলি অনুমান কৰা হৈছে, যিটো ২০২১-২২ বিত্তীয় বৰ্ষৰ ৪.১১ লাখ কোটি টকা আছিল। যোৱা ৫ বছৰত স্থাপন কৰা শক্তিশালী অৰ্থনৈতিক ভেটিৰ ওপৰত ভিত্তি কৰি চৰকাৰে এতিয়া এই সাফল্যসমূহক একত্ৰিত কৰাৰ লগতে পূৰ্বনিৰ্ধাৰিত লক্ষ্যৰ আগতেই, অৰ্থাৎ ২০২৮ চনৰ ভিতৰত অসমক ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ দিশত আগুৱাই নিছে। ৰাজ্যৰ অৰ্থনৈতিক দিশত সংস্কাৰ আনিবলৈ আৰু প্ৰশাসন ব্যৱস্থাক অধিক শক্তিশালী কৰিবলৈ বৰ্তমানৰ চৰকাৰে এক বলিষ্ঠ কৌশল গ্ৰহণ কৰিব। ২০২৫-২৬ বিত্তীয় বৰ্ষত বাজেটৰ ধন ব্যৱহাৰ প্ৰায় ৮৫ শতাংশলৈ বৃদ্ধি পাইছিল আৰু ৰূপায়ণৰ সক্ষমতাও বৃদ্ধি পাইছে। ৰাজ্যখনত নিজা উৎসৰ

## ২৫ মে'ত পুনৰ হ'ব শ্যামকানুৰ জামিনৰ শুনানি

ৰঙিলী বাৰ্ত্তাসেৱা- শিল্পী জুবিন গাৰ্গৰ হত্যা গোচৰত জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱা গোচৰৰ মূল অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতত সম্পন্ন হয় আৰু আদালতে শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি পুনৰ ২৫ মে'ৰ দিনটো ধাৰ্য কৰিছে। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতত শ্যামকানু মহন্তৰ জামিনৰ বাবে যুক্তি দৰ্শায় অধিবক্তা প্ৰাণ বৰাই। শুনানি কালত অসম চৰকাৰৰ হৈ আদালতত উপস্থিত থাকে ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়া। অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াক প্ৰতিনিধিত্ব কৰা চৰকাৰী পক্ষই জামিন আবেদনৰ প্ৰতি সঁহাৰি জনাই যুক্তি দাঙি ধৰিবলৈ অতিৰিক্ত সময় বিচাৰে। ইয়াৰ পিছত আদালতে বিষয়টো সোমবাৰলৈ স্থগিত ৰাখে, তেতিয়া চৰকাৰে এই আবেদনৰ বিৰোধিতা কৰি যুক্তি দাখিল কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতত জামিনৰ বাবে দাখিল কৰা ১২২১/২৬ নম্বৰ আবেদনৰ শুনানি কালত অধিবক্তা প্ৰাণ বৰাই শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে কেতবোৰ চাঞ্চল্যকৰ যুক্তি প্ৰদান কৰে। শ্যামকানু মহন্তৰ (দহ পৃষ্ঠাত চাওক)

## মূল্যবৃদ্ধি ৰোধৰ দাবীত আছুৰ ৰাজ্যজুৰি প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- বিগত কেবাদিন ধৰি ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য ক্ৰমাৎ বৃদ্ধি পাইছে। ফলত বিমোৰত পৰিছে ৰাজ্যৰ সৰ্বসাধাৰণ নাগৰিক। উপায়ন্তৰ হৈ পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ পৰা আদি কৰি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাত চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ কৰিছে ৰাজ্যৰ জাতীয় সংগঠন তথা ৰাজনৈতিক দলসমূহে। এই মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত শুকুৰবাৰে ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছুৱে। দাম বৃদ্ধিৰ প্ৰতিবাদত আৰু অত্যধিক দাম নিয়ন্ত্ৰণৰ প্ৰতিবাদত ৰাজ্যৰ প্ৰতিখন জিলা সদৰত আছু সদস্যসকলে বিক্ষোভ-সমদলেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছুৱে গুৱাহাটী মহানগৰীৰ শ্বহীদ ভৱনৰ পৰা এক (চাৰিপৃষ্ঠাত চাওক)

## এভাৰেষ্টৰ শিখৰত অসম কন্যা

বহন কৰিছে। কিয়নো পৰ্বতাৰোহণ ক্ষেত্ৰত নাৰীৰ সক্ষমতা, দৃঢ় সংকল্প আৰু অদম্য সাহসিকতাৰ ই হৈছে এক দৃষ্টান্ত। ইয়াক বিশ্বৰ সৰ্বোচ্চ শৃংগত ভাৰতৰ 'নাৰীশক্তি'ৰ জয়গান ৰূপেও অভিহিত কৰা হৈছে। মূলতঃ 'নাৰীশক্তি'ক উদযাপন তথা উচ্চ-উচ্চতাৰ দুঃসাহসিক ক্ৰীড়াত মহিলাৰ উপস্থিতি তুলি ধৰাৰ লক্ষ্যৰে আইটিবিপিয়ে আয়োজন কৰিছে এই অভিযানৰ। উল্লেখ্য যে মাহৰ পিছত মাহ ধৰি কঠোৰ প্ৰশিক্ষণ আৰু প্ৰস্তুতিৰ অন্তত যোৱা ১৯ এপ্ৰিলত নতুন দিল্লীস্থিত আইটিবিপিৰ মুখ্য কাৰ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে এই অভিযানৰ সূচনা কৰা হৈছিল। ৮ হাজাৰ মিটাৰ উচ্চতাৰ 'ডেথ জ'ন'ত অত্যন্ত প্ৰতিকূল পৰিৱেশ, অক্সিজেনৰ স্বল্পতা আৰু কঠিন বৰফৰ স্তৰ অতিক্ৰম কৰাৰ সময়ত আইটিবিপিৰ মহিলা পৰ্বতাৰোহণকাৰীসকলে সাহস, সহনশীলতা আৰু দলগত দক্ষতাৰ পৰিচয় দিয়ে। আইটিবিপিৰ তৰফৰ পৰা সদৰী কৰা অনুসৰি এই অভিযানটো নাৰীৰ সক্ষমতা, দুঃসাহসিক নেতৃত্ব আৰু উচ্চ কাৰ্যক্ৰম পৰিচালনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠত্বৰ প্ৰতীক। আইটিবিপিয়ে বৰ্তমানপৰ্যন্ত ৫বাৰ মাউণ্ট এভাৰেষ্টত সফল আৰোহণ কৰাৰ লগতে মুঠ ২৩২টা পৰ্বতাৰোহণ অভিযান সফলতাৰে সম্পন্ন কৰিছে। এই বাহিনীটোৱে বিশ্বৰ ১৪টা ৮ হাজাৰ মিটাৰ উচ্চতাৰ শৃংগৰ ভিতৰত ৬টাই আৰোহণ কৰিবলৈ সক্ষম হয়। সেইকেইটা হ'ল- মাউণ্ট এভাৰেষ্ট, মাউণ্ট কাঞ্চনজংঘা, মাউণ্ট মাকালু, মাউণ্ট লোৎচে, মাউণ্ট ধৌলাগিৰি আৰু মাউণ্ট মানাচলু। ইফালে প্ৰথম অসমীয়া মহিলা হিচাপে এভাৰেষ্ট আৰোহণ কৰা ৰূপামণি গড়ে আৰু অভিযানটোক নেতৃত্ব দিয়া ভণিতা টি মুংপিক অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে এই সন্দৰ্ভত তেওঁ লিখিছে এইদৰে-

লক্ষ্য আৰু কৰ্মৰ সুদৃঢ়তা বুজাবলৈ প্ৰায়েই কওঁস আমাৰ লক্ষ্যৰ বাটত হিমালয় বা এভাৰেষ্ট আহিলেও তাকো অতিক্ৰম কৰি আগুৱাই যাম। আজিৰ অসমৰ নাৰীয়ে হিমালয়েই নহয় পৃথিবীৰ সৰ্বোচ্চ শৃংগ এভাৰেষ্টত আৰোহণ কৰিব পৰাকৈ বিশ্বত এক নজিৰ সৃষ্টি কৰিলে। লখিমপুৰৰ জীয়াৰী ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি অসমৰ লগতে সমগ্ৰ দেশক গৌৰৱান্বিত কৰিছে। এই ঐতিহাসিক সফলতা অৰ্জন কৰা ৰূপামণি অসমৰ প্ৰথমগৰাকী মহিলা পৰ্বতাৰোহী হোৱাৰো কৃতিত্বৰে মহীয়ান হৈছে। তদুপৰি অসমৰ ভনীতা টিমুংপীয়ে ITBP-ৰ এভাৰেষ্ট অভিযানৰ নেতৃত্ব দিয়াত অসমৰ বাবে এয়াও এক গৌৰৱৰ বিষয়। ৰূপামণি আৰু ভনীতা বাইদেউলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছাজ্ঞাপন কৰিছোঁ। তেখেতসকলৰ এই সাফল্য অসমৰ নতুন প্ৰজন্মৰ বাবে হৈ ৰ'ব প্ৰেৰণা অম্লান উৎস।

## ভাৰতৰ আন এক বৃহৎ

শত্ৰুপক্ষৰ লক্ষ্যবস্তুত আঘাত হনাৰ ক্ষেত্ৰত ইয়াৰ তুলনা নাই। তদুপৰি এই ক্ষেপণাস্ত্ৰৰ বিশেষ সুবিধা হ'ল যে ভ্ৰাম্যমাণ লাঞ্চাৰৰ পৰা ইয়াক উৎক্ষেপণ কৰিব পৰা যায়। যুদ্ধক্ষেত্ৰত দ্ৰুত প্ৰতিক্ৰিয়াৰ বাবে বিশেষভাৱে ডিজাইন কৰা হৈছে এই ক্ষেপণাস্ত্ৰটো। এই ক্ষেপণাস্ত্ৰৰ ওজন মাত্ৰ ১,০০০ কিলোগ্ৰাম হোৱাত ই পাৰমাণৱিক ৰাৱ হেড বহন কৰিবলৈও সক্ষম। অৰ্থাৎ চকুৰ পচাৰতে এই ক্ষেপণাস্ত্ৰই শত্ৰুৰ বুকুত পাৰমাণৱিক আক্ৰমণ চলাব পাৰে। লগতে আৰু জানিব পৰা গৈছে যে অগ্নি-১ ক্ষেপণাস্ত্ৰত আছে অত্যাধুনিক নেভিগেচন ছিষ্টেম। যিয়ে নিৰ্ভুল লক্ষ্যত আঘাত হানিব পাৰে। তদুপৰি এই ক্ষেপণাস্ত্ৰটো ছলিড প্ৰপেলেণ্টৰ দ্বাৰা চালিত হয়। ফলত ইয়াক দ্ৰুততাৰে উৎক্ষেপণ কৰা যায়। পথ আৰু ৰে'লপথেৰে সহজতে পৰিবহণযোগ্য হোৱাত যিকোনো ঠাইলৈ ইয়াক সহজে লৈ যাব পাৰি আৰু ই যিকোনো ঠাইৰ পৰা উৎক্ষেপণযোগ্য। ইয়াৰ পূৰ্বে ২০২৬ চনৰ ৮ মে'ত ভাৰতে উন্নত অগ্নি ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ কৰিছিল। এই পৰীক্ষা ওড়িশাৰ ডাঃ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা কৰা হৈছিল।

# দ্বিতীয়বাৰৰ বাবে অধ্যক্ষৰ আসনত বহিল ৰঞ্জিত কুমাৰ দাস



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিধানসভাত ইতিহাস ৰচনা কৰি দ্বিতীয়বাৰৰ বাবে অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে ভৱানীপুৰ-সৰভোগৰ জ্যেষ্ঠ বিজেপি বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। বৃহস্পতিবাৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ষষ্ঠদশ বিধানসভাৰ প্ৰথম অধিৱেশনত চাৰিবাৰৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসক আগন্তুক কাৰ্যকালৰ বাবে বিনাপ্ৰতিদ্বন্দ্বিতাৰে অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়। প্ৰ'টেম অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়মাৱলীৰ ৭নং নিয়মৰ উপ-নিয়ম ৪ৰ অধীনত প্ৰয়োজন হোৱা মনোনয়ন-পত্ৰ পৰীক্ষা কৰি ৰঞ্জিত কুমাৰ দাস ষষ্ঠদশ বিধানসভাৰ অধ্যক্ষ হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস অসম বিধানসভাৰ ২২সংখ্যক অধ্যক্ষ আৰু তেওঁ ২০১৬ চনত গঠিত বিধানসভাত উক্ত বৰ্ষৰ জুন মাহৰ ( পাঁচ পৃষ্ঠাত চাওক)

# ইটালীৰ প্ৰধানমন্ত্ৰী মেল'নিক অসমৰ এৰী চাদৰ উপহাৰ দিলে প্ৰধানমন্ত্ৰী মোদীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ এড়ী কাপোৰ বিশ্বৰ মঞ্চত জিলিকাই তুলিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শেহতীয়াকৈ ইটালী ভ্ৰমণৰ সময়ত দেশখনৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ এৰী চাদৰ উপহাৰ দিলে। এই উপহাৰে অসমৰ বিখ্যাত এড়ী ৰেচম পৰম্পৰাক উজ্জ্বল কৰি তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে মেল'নিক অসমৰ মুগাৰ ষ্টল উপহাৰ দিয়াৰ লগতে মণিপুৰৰ বিৰল ছিৰুই লিলি ফুলৰ আৰ্হিত প্ৰস্তুত কৰা ছিল্কৰ ষ্টলো উপহাৰ দিছিল। অসমৰ বয়ন শিল্পই আন্তঃৰাষ্ট্ৰীয় খ্যাতি আৰু বিশ্বাসযোগ্যতা লাভকৰাই নিশ্চিতভাৱে অসমৰ শিপিনীৰ বাবে গৌৰৱ আৰু আনন্দৰ ক্ষণ হিচাপে পৰিগণিত হ'ব। সেইদৰে প্ৰধানমন্ত্ৰী মোদীয়ে খাদ্য আৰু কৃষি সংস্থাৰ সঞ্চালক প্ৰধান ড' কু ডং ইউলৈ উপহাৰ হিচাপে আগবঢ়াইছে অসমৰ মাটিৰ গোন্ধেৰে সংপৃক্ত জহা চাউল। প্ৰধানমন্ত্ৰী মোদীয়ে আগবঢ়োৱা এই উপহাৰত অসমৰ নাম সংযোগ হৈ পৰাৰ পাছতে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি লিখিছে- আমাৰ স্বাভিমান এৰী বস্ত্ৰক বিশ্বমুখী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত এইবুলি উল্লেখ কৰিছে- বিশ্বৰ কূটনৈতিক মঞ্চতো এতিয়া উজলি উঠিছে ( নপৃষ্ঠাত চাওক)

# ৫১ হাজাৰৰো অধিক যুৱক

গুৰুত্ব আৰোপ কৰে। মোদীয়ে দৃঢ়তাৰে কয়- আগন্তুক বছৰবোৰত আপোনালোক সকলোৱেই বিকশিত ভাৰতৰ দৃষ্টিভংগীবাস্তৱায়িত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই উপলক্ষে গুৱাহাটীত আয়োজিত ৰোজগাৰ মেলা অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ গুৱাহাটীত উপস্থিত হোৱা প্ৰাৰ্থীসকলৰ মাজত নিযুক্তি-পত্ৰ বিতৰণ কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই উপলক্ষে দিয়া ভাষণত সোণোৱালে নতুনকৈ নিযুক্তিপ্ৰাপ্তসকলক উদ্দেশ্যি কয়- নিযুক্তিৰ এই মাইলৰ খুঁটিত উপনীত হ'বলৈ প্ৰতিযোগিতাৰ যোগ্য যুৱক-যুৱতীয়ে দেখুওৱা নিষ্ঠা আৰু কঠোৰ প্ৰস্তুতিক মই সন্মান জনাইছোঁ। সততা, নিষ্ঠা, জনসেৱাৰ মানসিকতা আৰু দৃঢ় সংকল্পৰে নিজ নিজ কৰ্মক্ষেত্ৰত দায়িত্ব সুচাৰুৰূপে পালন কৰি এখন বিকশিত, আত্মনিৰ্ভৰশীল আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ যাত্ৰাত সকলোৱে অৰিহণা যোগাব লাগিব। নিযুক্তি-পত্ৰ বিতৰণৰ পাছতে সংবাদ মাধ্যমৰ আগত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষতেই যুব সমাজে আজি মৰ্যাদাসহকাৰে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে এই নিয়োগ প্ৰদানৰ যি কাৰ্যব্যৱস্থা ই প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ২০২২ বৰ্ষতে আৰম্ভ হৈছিল আৰু ধাৰাবাহিকভাৱে ই অব্যাহত আছে। এতিয়ালৈকে প্ৰায় ১২ লাখ নিযুক্তি-পত্ৰ সন্মানসহকাৰে প্ৰদান কৰা হৈছে। এনে ব্যৱস্থা পূৰ্বতে কেতিয়াও হোৱা নাছিল। এই অনুষ্ঠানৰ জৰিয়তে যোগ্য যুৱক-যুৱতীসকলক প্ৰদান কৰা নিযুক্তি-পত্ৰৰ জৰিয়তে দেশৰ প্ৰতি তেওঁলোকৰ যি দায়িত্ব সেই দায়িত্ব তেওঁলোকক উপলব্ধি কৰোৱা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰোজগাৰ মেলাৰ যি পদক্ষেপ ল'লে, তাৰ জৰিয়তে সমগ্ৰ দেশতে যুব সমাজে এক নতুন গতি লাভ কৰিছে। ২০৪৭ চনলৈকে ৪০ কোটি ভাৰতীয় ঐক্য আৰু নিষ্ঠাৰে পৰিশ্ৰম কৰিলে নিশ্চিতভাৱে ভাৰত বিশ্বৰ শ্ৰেষ্ঠ দেশ হ'ব, আত্মনিৰ্ভৰশীল দেশ হ'ব। বিভিন্ন আঁচনি, পৰিকল্পনাৰ যোগেদি যুৱশক্তিক সংস্থাপিত কৰাৰ বাবে যি পদক্ষেপ লোৱা হ'ল তাৰ জৰিয়তে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে লক্ষ লক্ষ যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে উক্ত অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# পুলৱামা আক্ৰমণৰ অন্যতম মাষ্টাৰমাইণ্ড হামজাক হত্যা



ৰঙিলী বাৰ্ত্তাসেৱা- ২০১৯ চনৰ দেশ কঁপাই যোৱা পুলৱামা আক্ৰমণৰ অন্যতম মাষ্টাৰমাইণ্ড হামজা বুৰহানক গুলীয়াই হত্যা। পাক অধিকৃত কাশ্মীৰত অজ্ঞাত বন্দুকধাৰীৰ গুলীত প্ৰাণ হেৰুৱায় মাষ্টাৰমাইণ্ড হামজা বুৰহান। ২০১৯ চনত সংঘটিত পুলৱামাৰ সেই আক্ৰমণত ৪০জন চিআৰপিএফ জোৱানে প্ৰাণ হেৰুৱাইছিল। সেই আক্ৰমণকাৰীসকলক বিস্ফোৰক যোগান ধৰিছিল এইগৰাকী কুখ্যাত সন্ত্ৰাসবাদী হামজাই। চোৱাংচোৱাৰ তদন্তত এই কথা প্ৰকাশ পায়। হামজা ওৰফে ডাক্তৰ পুলৱামাৰে বাসিন্দা আছিল। ২০২২ চনত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে তেওঁক সন্ত্ৰাসবাদী বুলি ঘোষণা কৰে। পাকিস্তান অধিকৃত মুজফফাৰাবাদত অচিনাক্ত একাধিক আক্ৰমণকাৰীয়ে আক্ৰমণ কৰাৰ পাছত বুৰহানৰ শৰীৰৰ কেইবাস্থানতো আঘাত পায়। উল্লেখ্য যে যোৱা কেইবছৰমান ধৰি পাক অধিকৃত কাশ্মীৰত কেইবাজনো সন্ত্ৰাসবাদীক হত্যাৰ খবৰ পোৱা গৈছে। হামজাৰ প্ৰকৃত নাম ( নপৃষ্ঠাত চাওক)

# ঘোচ লৈ গ্ৰেপ্তাৰ এচিএছ বিষয়া লাচিত কুমাৰ দাস



ৰঙিলী বাৰ্ত্তাসেৱা- মাটি বিক্ৰীৰ অনুমতিৰ বাবে প্ৰয়োজনীয় এনঅ'চিৰ নামত ভুক্তভোগীক ধন দাবী কৰি দুৰ্নীতি নিবাৰক আৰু তদাৰকী সঞ্চালকালয়ৰ জালত পৰিল জ্যেষ্ঠ এচিএছ বিষয়া লাচিত কুমাৰ দাস। মহানগৰীৰ ৰূপনগৰস্থিত ভূমিলেখ্য সঞ্চালকালয়ৰ অতিৰিক্ত ভূমিলেখ্য অধিকৰ্তাৰূপে দীৰ্ঘসময় ধৰি কৰ্তব্যৰত হৈ থকা বিষয়া দাসে এজন লোকৰ পৰা ভূমি বিক্ৰীৰ অনুমতিৰ বাবে প্ৰয়োজনীয় এনঅ'চি দিয়াৰ বাবদ নগদ ১ লাখ টকা দাবী কৰিছিল। বিচৰা ধন আদায় নিদিয়ালৈকে ভুক্তভোগী লোকজনৰ কাম কৰাৰ পৰা বিৰত আছিল দাস। ভুক্তভোগী লোকজনে শেষত উপায়ান্তৰ হৈ দুৰ্নীতি নিবাৰকত বিষয়াজনৰ বিৰুদ্ধে এটা গোচৰ তৰে। সেইমৰ্মে দুৰ্নীতি নিবাৰকে দুৰ্নীতিগ্ৰস্ত বিষয়াজনক ( নপৃষ্ঠাত চাওক)

# মূল্যবৃদ্ধি ৰোধৰ দাবীত

প্ৰতিবাদী সমদল বাহিৰ কৰে। এই প্ৰতিবাদী সমদল উজান বজাৰ হৈ যোৰপুখুৰীৰ পাৰেৰে আহি লেম্ব ৰোডৰে শ্বহীদ ন্যাসত উপস্থিত হয়। এই প্ৰতিবাদী সমদলত প্ৰায় পাঁচ শতাধিক লোকে অংশগ্ৰহণ কৰে। আছুৰ মুখ্য উপদেষ্টা ড' সমুজ্জ্বল ভট্টাচাৰ্যই এই সন্দৰ্ভত কয় যে চাউল, দাইল, মিঠাতেল, গাখীৰ, কণী, ঔষধৰ পৰা আৰম্ভ কৰি পেট্ৰ'ল-ডিজেললৈকে সকলো সামগ্ৰীৰ দাম বাঢ়িল। এয়া ৰোধৰ বাবে কেন্দ্ৰ-ৰাজ্য চৰকাৰে যি ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা ল'ব লাগিছিল সেয়া আজিলৈকে গ্ৰহণ কৰা নাই। চৰকাৰে ব্যৱস্থা নোলোৱাপৰ্যন্ত ধাৰাবাহিক আন্দোলন চলি থাকিব। অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ চূড়ান্ত ব্যৰ্থতা বুলিও তেওঁ লগতে অভিযোগ কৰে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যই বজাৰত জুই জ্বলাইছে। চাউল, দাইল, মিঠাতেল, গাখীৰ, কণীকে ধৰি সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বাঢ়িছে। দৰৱৰ বৰ্ধিত দামে ৰোগী আৰু পৰিয়ালৰ মুৰত ৰামটাঙোন শোধাইছে। বাণিজ্যিক চিলিণ্ডাৰ এটাৰ দামে তিনি হাজাৰ টকা অতিক্ৰম কৰিলে। সৰু সৰু হোটেল-ৰেষ্টুৰেণ্ট, চাহৰ দোকান বন্ধ হোৱাৰ উপক্ৰম হৈছে। শিক্ষানুষ্ঠানৰ হোষ্টেলসমূহত হাহাকাৰ পৰিৱেশে বিৰাজ কৰিছে। পেট্ৰ'ল-ডিজেলৰো দাম প্ৰতি সপ্তাহতে বৃদ্ধি হ'বলৈ ধৰিছে। ডলাৰৰ তুলনাত টকাৰ মূল্যৰ অধঃপতন অব্যাহত আছে। এই দুৰৱস্থাৰ পৰা জনসাধাৰণক সকাহ দিয়াত চৰকাৰ বাৰুকৈয়ে ব্যৰ্থ হৈছে। মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰৰে শোচনীয় ব্যৰ্থতাৰ প্ৰতিবাদত ৰাজ্যজুৰি ছাত্ৰ সন্থাই বিক্ষোভ সমদল উলিয়াইছে।

# বিদ্যালয়লৈ যোৱাৰ পথত সন্ধানহীন দুই ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কোকৰাঝাৰ জিলাৰ ঢোলমাৰা লালকুৰা চাহ বাগিচাৰ এটা পুখুৰীত দুই স্কুলীয়া ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ হয়। দুই স্কুলীয়া ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উদ্ধাৰ হোৱা ছাত্ৰী দুগৰাকীক ক্ৰমে ঢোলমাৰা হাইস্কুলৰ নৱম শ্ৰেণীৰ ১৫ বছৰীয়া অনামিকা বাৰা আৰু ১৫ বছৰীয়া সৰিতা উৰাও বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি অনুসৰি বিদ্যালয়লৈ যোৱাৰ পথতে ছাত্ৰী দুগৰাকী সন্ধানহীন হৈ পৰে। বিদ্যালয় ছুটী হোৱাৰ পিছতো দুয়ো ঘৰলৈ উভতি নোযোৱাত বিষয়টো পোহৰলৈ আহে। সন্ধানহীনতাৰ বাতৰি লাভ কৰি চৌদিশে বিচাৰ- খোঁচাৰ আৰম্ভ কৰা হয় যদিও তেওঁলোকৰ কোনো সন্ধান পোৱা নাযায়। অৱশেষত দুপৰীয়া ১.৩০ মান বজাত ছাত্ৰী দুগৰাকীৰ চাইকেল দুখন চাহ বাগানৰ এটা পুখুৰীৰ পাৰৰ পৰা উদ্ধাৰ হয়। চাইকেলৰ সন্মুখত থকা বাচকেটত ছাত্ৰী দুগৰাকীৰ চেণ্ডেল দুযোৰো উদ্ধাৰ হয়। পিছত স্থানীয় ৰাইজে পুখুৰীত ওপঙি থকা অৱস্থাত মৃতদেহ দুটা প্ৰত্যক্ষ কৰে। উক্ত ঘটনাৰ খবৰ লাভ কৰি আৰক্ষীয়ে ফৰেনছিক ( নপৃষ্ঠাত চাওক)

# দ্বিতীয়বাৰৰ বাবে অধ্যক্ষৰ

পৰা ২০১৭ চনৰ ৩০ জানুৱাৰী পৰ্যন্ত অধ্যক্ষৰ দায়িত্বত আছিল। সৰভোগ-ভৱানীপুৰৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰাৰ বাবে বিজেপিৰ হৈ মনোনয়ন-পত্ৰত নাম প্ৰস্তাৱ কৰে লখিমপুৰৰ বিধায়ক মানৱ ডেকাই। তেওঁক সমৰ্থন কৰে ৰঙানদীৰ বিধায়ক ঋষিৰাজ হাজৰিকাই। অগপৰ হৈ মনোনয়ন-পত্ৰত ৰঞ্জিত কুমাৰ দাসৰ নাম প্ৰস্তাৱ কৰে বিধায়ক ড°তপন দাসে আৰু তেওঁক সমৰ্থন কৰে বিধায়ক ধৰ্মেশ্বৰ ৰায়ে। আনহাতে বিপিএফৰ হৈ মনোনয়ন-পত্ৰত ৰঞ্জিত কুমাৰ দাসৰ নাম প্ৰস্তাৱ কৰে মন্ত্ৰী চৰণ বড়োৱে আৰু সমৰ্থন কৰে বিধায়ক মনেশ্বৰ ব্ৰহ্মাই। তিনিওখন মনোনয়ন-পত্ৰ পৰীক্ষা কৰাৰ পাছত প্ৰ'টেম অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰঞ্জিত কুমাৰ দাসৰ নাম অধ্যক্ষ হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। বিধায়ক ৰঞ্জিত কুমাৰ দাসৰ নাম অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰি প্ৰ'টেম অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত অধ্যক্ষগৰাকীৰ জীৱন আৰু ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, সাংবাদিকতা আদি ক্ষেত্ৰলৈ তেওঁ আগবঢ়োৱা বৰঙণিৰ বিস্তৃত তথ্য সদৰী কৰি শুভেচ্ছা জ্ঞাপন কৰে। ১৯৭৭ চনৰ পৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰে জড়িত ৰঞ্জিত কুমাৰ দাসে ১৯৯২ চনত ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী কাৰ্যকৰ্তা হিচাপে যোগদান কৰে। তেওঁ অসম ৰাজ্যিক বিজেপিৰ বিভিন্ন দলৰ দায়িত্ব লাভ কৰি সফলতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ২০১১ চন আৰু ২০১৬ চনত সৰভোগ বিধানসভা সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হয়। তেওঁ দুটা কাৰ্যকালৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি হিচাপে দায়িত্বভাৰ লৈ তৃণমূল পৰ্যায়লৈ কাম-কাজ কৰি দলৰ ভেটি শক্তিশালী কৰে। ২০২১ চনত ৰঞ্জিত কুমাৰ দাসে পাটাছাৰকুছি সমষ্টিৰ পৰা তৃতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হয় আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান বিভাগকে ধৰি কেইবাটাও বিভাগত সফলতাৰে দায়িত্ব পালন কৰে। ষষ্ঠদশ বিধানসভাৰ ২২সংখ্যক অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰি চাৰিবাৰৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে অসম বিধানসভাৰ ইতিহাসত নজিৰ স্থাপন কৰিবলৈ সক্ষম হ'ল। উল্লেখ্য যে অসম বিধানসভাৰ সচিবৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, কংগ্ৰেছৰ নেতা বাজেদ আলী চৌধুৰীকে ধৰি তেওঁলোকৰ একাংশ বিধায়ক, বিপিএফ নেতা ৰবিৰাম নাৰ্জাৰীকে ধৰি বহুকেইজন বিধায়কে প্ৰ'টেম অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীৰ আহ্বানমৰ্মে ৰঞ্জিত কুমাৰ দাসক আনুষ্ঠানিকভাৱে অসম বিধানসভাৰ ২২সংখ্যক অধ্যক্ষ হিচাপে অধ্যক্ষৰ আসনত অধিষ্ঠিত কৰে।

# শপতগ্ৰহণৰ পাছত জুবিনক্ষেত্ৰত উপস্থিত হ'ল মুখ্যমন্ত্ৰী ড° শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতিশ্ৰুতি পূৰণ কৰি মুখ্যমন্ত্ৰীৰূপে দ্বিতীয়বাৰলৈ শপতগ্ৰহণৰ পাছত জুবিনক্ষেত্ৰত উপস্থিত হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। উল্লেখ্য যে নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই কৈছিল- বিজেপিৰ নেতাসকল নিৰ্বাচনৰ পিছত জুবিনৰ সমাধিক্ষেত্ৰলৈ যাব। জুবিনক ৰাজনীতিৰ লগত জড়িত কৰিব নালাগে, সেয়া মোৰ প্ৰথমদিনৰ পৰাই স্থিতি। নিৰ্বাচন চলি থকালেকে মই নিজেও জুবিনক্ষেত্ৰলৈ নাযাওঁ। যদি ভগৱানে কৰে, আকৌ এবাৰ মুখ্যমন্ত্ৰী হওঁ তাৰ পিছত জুবিনক্ষেত্ৰলৈ যাম। যাতে কোনেও আমাক ক'ব নোৱাৰে যে জুবিনৰ নামটো ৰাজনীতিত ব্যৱহাৰ কৰা হৈছে। নিৰ্বাচনৰ পূৰ্বে কৰা ঘোষণা অনুসৰিয়েই বুধবাৰে নতুন দিল্লীৰ পৰা পোনে পোনে সোণাপুৰৰ জুবিনক্ষেত্ৰত উপস্থিত হ'ল মুখ্যমন্ত্ৰী ড° শৰ্মা। জুবিনক্ষেত্ৰত উপস্থিত হৈয়েই সমাধি নিৰ্মাণৰ ( নপৃষ্ঠাত চাওক)

# জাগীৰোডৰ ছেমি-কণ্ডাক্টৰ- আঁহতগুৰিৰ প্ৰস্তাৱিত মেগা ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমক দেশৰ অন্যতম অগ্ৰণী উদ্যোগ প্ৰধান ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে এক সৰ্বাত্মক পৰিকল্পনা । মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়টো কাৰ্যকালত অসমক উদ্যোগেৰে শক্তিশালী কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নমূলক কাৰ্যসূচী দ্ৰুতগতিত আগুৱাই নিয়াত গুৰুত্ব আৰোপ কৰিছে ড° হিমন্ত বিশ্ব শৰ্মাই। এই লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই জাগীৰোডত নিৰ্মীয়মাণ টাটা ছেমিকণ্ডাক্টৰ এছেম্বলী এণ্ড টেষ্ট প্ৰকল্পস্থলী আৰু আঁহতগুৰি প্ৰস্তাৱিত মেগা ইণ্ডাষ্ট্ৰীৰ পাৰ্কস্থলী পৰিদৰ্শন কৰে। মৰিগাঁও জিলাৰ আঁহতগুৰিৰ ববৰাবীত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে অঞ্চলটোত উপলব্ধ চৰকাৰী ভূমি পৰিদৰ্শন কৰে । উল্লেখ্য যে জাগীৰোড সমষ্টিৰ ( নপৃষ্ঠাত চাওক)

# পেঞ্চনৰ ফাইল নিষ্পত্তিত বিলম্ব কৰিলে জৰিমনা ভৰিব লাগিব কাৰ্যালয়ৰ মুৰব্বী বিষয়াই

ৰঙিলী বাৰ্ত্তাসেৱা- অৱসৰ প্ৰাপ্ত কৰ্মচাৰীসকলক সকাহ দি ৰাজ্য চৰকাৰে এক কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনিক সংস্কাৰ-প্ৰশিক্ষণ-পেঞ্চন-ৰাজহুৱা অভিযোগ বিভাগৰ এই নিৰ্দেশ অনুসৰি এতিয়াৰে পৰা ইচ্ছাকৃতভাৱে পেঞ্চনাৰৰ ফাইল নিষ্পত্তিত বিলম্ব কৰিলে জৰিমনা ভৰিব লাগিব সংশ্লিষ্ট বিভাগৰ কাৰ্যালয়ৰ মুৰব্বীয়ে। প্ৰধানতঃ পেঞ্চন যাতে সময় নিৰ্ধাৰিতভাৱে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীয়ে লাভ কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। লগতে ২০০৩ চনৰ ২৩ জুনত জাৰি কৰা কাৰ্যালয় স্মাৰক নং পিপিজি (পি)৮৮/৯৯/পাৰ্ট.১/১৯ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰতো প্ৰদান কৰা হৈছে গুৰুত্ব। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি অপ্ৰয়োজনীয়ভাৱে বিলম্ব কৰা পেঞ্চনসমূহ মাহেকীয়া পৰ্যায়ত 'কৃতজ্ঞতা প'ৰ্টেল'ৰ জৰিয়তে আহৰণ কৰি সংশ্লিষ্ট কাৰ্যালয়ৰ মুৰব্বীসকলৰ লগতে জিলা আয়ুক্ত আৰু বিভাগীয় জ্যেষ্ঠ সচিবসকললৈ প্ৰেৰণ কৰা হ'ব। লক্ষণীয়ভাৱে ইচ্ছাকৃতভাৱে বা অপ্ৰয়োজনীয়ভাৱে পেঞ্চন আদায়ত বিলম্ব হ'লে কৰ্তৃত্বশীল বিষয়াই ভৰিবলগীয়া জৰিমনাৰ পৰিমাণো নিৰ্ধাৰণ কৰি দিয়া হৈছে। সেই অনুসৰি কৰ্তৃত্বশীল বিষয়াজনে দৈনিক ২৫০ টকাকৈ সৰ্বোচ্চ ৫ হাজাৰ টকাৰ জৰিমনা আদায় দিব লাগিব। জৰিমনাৰ ধন কৰ্তৃত্বশীল বিষয়াজনৰ দৰমহাৰ পৰা কৰ্তন কৰা হ'ব 'ফিন আছাম প'ৰ্টেল'ৰ দ্বাৰা। এইক্ষেত্ৰত আহৰণ আৰু বিতৰণ (ডিডিঅ')বিষয়াসকলকো এক গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়া হৈছে। সেই অনুসৰি প্ৰশাসনীয় সংস্কাৰ-প্ৰশিক্ষণ-পেঞ্চন-ৰাজহুৱা অভিযোগ বিভাগে স্পষ্ট কৰি দিয়া ব্যৱস্থা মতে ডিডিঅ'সকলে পেঞ্চন আদায়ত বিলম্ব কৰা সংশ্লিষ্ট কৰ্তৃত্বশীল বিষয়াসকলৰ পৰা জৰিমনা আদায় কৰাটো নিশ্চিত কৰিব লাগিব। একে সময়তে সকলো বিভাগ-সঞ্চালকালয় আৰু কাৰ্যালয়সমূহকো এই নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ কোৱা হৈছে।

# ম’বাইল ফোনৰ ওপৰত একলম



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

সৰু ল’ৰা ছোৱালীৰ পৰা বৃদ্ধ বনিতা সকলোৰে প্ৰিয় ম’বাইল ফোন। বৰ্তমান প্ৰযুক্তি বিদ্যাৰ যুগত ম’বাইল ফোন অতি লাগতিয়াল আৰু অবিচ্ছেদ্য অংগ হৈ পৰিছে। পৃথিৱীৰ অধিক লোক এই ম’বাইল ফোনৰ ইন্টাৰনেটৰ লগত জড়িত। ম’বাইলটো আজিৰ প্ৰজন্মৰেই নহয় সকলোৰে লাগতিয়াল। টকা পইচা সকলো জমা থোৱাৰ পৰা আদি কৰি বজাৰ সমাৰ সকলো ম’বাইলতে কৰিব পাৰি। বৰ্তমান ডিজিটেল পৃথিৱীৰ সকলো অনলাইনতে উপলব্ধ হয়।

কৰ’না মহামাৰীৰ কাৰণে দুবছৰে স্কুল/কলেজ অফিছ সকলো বন্ধ থাকোঁতে সেই সময়ত ম’বাইলেই একমাত্ৰ সাৰথি আছিল। হোৱাট এপ, গুগল, ইনষ্টগ্ৰাম আদিৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰী সকলে অনলাইন ক্লাচ আদি কৰিব পাৰিছিল । শিক্ষক সকল আৰু ছাত্ৰ -ছাত্ৰী মাজত যোগসূত্ৰ স্থাপন কৰিব পাৰিছিল। ম’বাইলৰ জৰিয়তে পৃথিৱীৰ সকলো তথ্য ঘৰতে বহি লাভ কৰিব পাৰে, ব্যৱসায়ী বা বিভিন্ন শিক্ষা, স্বাস্থ্য, ব্যৱসায় সকলো দিশ সামৰি লৈছে। সেই কাৰণে আগৰ যুগৰ তুলনাত বৰ্তমান যুগৰ প্ৰজন্ম বহু দিশত আগবঢ়া আৰু পাৰদৰ্শিতা দেখুৱাব পাৰিছে।

কিন্তু ভাল দিশটো যেনেকৈ আছে বেয়া দিশটো আছে। অত্যাধিক ম’বাইলৰ ব্যৱহাৰে চকু আদিৰ ৰোগে দেখা দিব পাৰে। বিশেষকৈ সৰু ল’ৰা- ছোৱালীক ম’বাইল সৰুৰে পৰা চাবলৈ দিলে মানসিক ৰোগ হ’ব পাৰে। সাম্প্ৰতিক সময়ত তেনে বহুত কেইটা ঘটনা পোহৰলৈ আহিছে। বৰ্তমান একক পৰিয়ালবোৰত অভিভাৱক সকলে সন্তানটোক এবছৰৰ পৰাই সিহঁতৰ হাতত ম’বাইলত খেলা, বিভিন্ন কাৰ্টুন আদি চাবলৈ দি নিজৰ কৰ্ম কৰি থাকে। সিহঁতে *(আঠপৃষ্ঠাত চাওক)*

# নীৰৱ ভাষাৰ শিশুসকল ‘অটিজিম’ক নতুন দৃষ্টিৰে চাওঁ আহক




আজিৰ সমাজত ‘অটিজিম’ এক গুৰুত্বপূৰ্ণ বিকাশজনিত অৱস্থা হিচাপে পৰিগণিত হৈছে। ‘অটিজিম’ বা ‘Autism Spectrum Disorder (ASD)’ হৈছে স্নায়ুৰ লগত জড়িত মানসিক বিকাশজনিত সমস্যা যাৰ ফলত শিশুৰ সামাজিক সম্পৰ্ক, কথা - কোৱাৰ বা প্ৰকাশ কৰা ও আচৰণ তথা সমাজৰ পৰা ও পৰিৱেশৰ পৰা শিকাত অসুবিধা হোৱা পৰিলক্ষিত হয়। বিশ্ব স্বাস্থ্য সংস্থা (W.H.O.) ৰ তথ্য অনুসৰি বিশ্বত প্ৰায় প্ৰতি ১০০ জন শিশুৰ ভিতৰত ১ জনকৈ ইয়াৰ ভুক্তভোগী হয়। বিভিন্ন গৱেষণাই দেখুৱাইছে যে গৰ্ভাৱস্থাত মাতৃৰ মানসিক চাপ, অত্যাধিক ৰূপত গৰ্ভনিৰোধক দৰৱ সেৱন কৰা, বংশগত ও চ বছৰ বয়সলৈকে শিশুটিক বাহ্যিক পৰিৱেশত একাত্ম নকৰিলে, দৰৱৰ দ্বাৰা গৰ্ভপাত কৰালেও জড়িত কাৰণ হ’ব পাৰে। বিশেষকৈ Misoprostol নামৰ ঔষধৰ ক্ষেত্ৰত কিছুমান গৱেষণাই কৈছে যে ‘Unsuccessful abortion attempt’ পাছত জন্ম হোৱা শিশুৰ Neurodevelopmental problem আৰু Autism Spectrum ৰ লক্ষণবিলাকৰ সম্ভাব্য সংযোগ আছে। আনহাতে গৰ্ভাৱস্থাত Antidepressant বা Paracetamol ৰ অধিক ব্যৱহাৰ আৰু ASD ৰ মাজত সম্পৰ্ক আছে বুলি উল্লেখ কৰিছে। এতিয়াও অটিজিমৰ একক আৰু নিশ্চিত কাৰণ বিচাৰি পোৱা নাযায়। যুগ যুগ ধৰি সমাজত ‘অটিষ্টিক’ ব্যক্তি আছিল। পাৰ্থক্য কেৱল এটাই যে আগতে সজাগতা কম আছিল বা একেবাৰেই নাছিল আৰু বহু ব্যক্তিক অসামাজিক, জেদী, গাধ, অকৰা আদি নামেৰে নামাঙ্কৰণ কৰা হৈছিল যদিও শিক্ষকসকলে শিক্ষাৰ পৰা বঞ্চিত কৰা নাছিল।

বৃষ্টি বৰগোহাঁই,সহকাৰী অধ্যাপিকা সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়

অটিছিম মানে বুদ্ধিহীনতা নহয়। বহু অটিষ্টিক ব্যক্তি অসাধাৰণভাৱে মেধা, সৃষ্টিশীলতা আৰু প্ৰতিভাৰ অধিকাৰী। তেওঁ লোকৰ চিন্তা কৰাৰ ধৰণ, আচৰণত ভিন্নতা থাকে কিন্তু সেই ভিন্নতাই বহু সময়ত বিশেষ দক্ষতালৈ ৰূপান্তৰিত হোৱাও পৰিলক্ষিত হৈছে। কিছুমান বিখ্যাত ‘অটিষ্টিক’ ব্যক্তিৰ উদাহৰণঃ

১) টেম্পল্ গ্ৰেনদীন (Temple grandin)ঃ পশু আচৰণ বিজ্ঞানী আৰু ‘অটিজিম’ সজাগতাৰ বিশ্ববিখ্যাত অৱয়ৰ।

২) এলবাৰ্ট আইষ্টাইন্ (Albert Einstein)ঃ বিশ্ববিখ্যাত পদাৰ্থ বিজ্ঞানী, তেখেতে ও শিশুকালত বহু দেৰিকৈ কথা কৈছিল, সমাজৰ লগত কথা-বাৰ্তা কমকৈ কৈছিল আদি আৰ্টপিনা লক্ষণ দেখা পোৱা গৈছিল বুলি গৱেষণাকাৰী সকলে উল্লেখ কৰিছে।

৩) আইজাক নিউটন (Isaac Newton)ঃ গভীৰ মনোযোগ আৰু সামাজিক বিছিন্নতা আদি অটিজিমৰ লক্ষণ দেখা পোৱা গৈছিল। *(বাৰপৃষ্ঠাত চাওক)*

# অশান্ত সময়



অশান্ত সময়

প্ৰভাত বণিয়া

মাথো ঘৃণাৰ চিন্তা চৰ্চা কলুষিত পৰিৱেশ প্ৰদ্যুষিত মন মগজু  
আজব কৰ্ম কাণ্ড বিচলিত জনগণ  
চিন্তিত সুধীজন  
স্বচ্ছ সমাজ আজি অশান্ত, কোলাহল,  
অসৌজন্যতাবোধ, অৰুচিপূৰ্ণ কথা-বাৰ্তা,  
অনাকাংক্ষিত আচৰণ  
অস্বস্তিত জীৱন-যৌৱন  
মূল্যবোধৰ দ্ৰুত পতন  
অস্থিৰ স্বাধীনতা ভাৱাক্ৰান্ত মন  
জ্ঞানী লোকৰ অমৃত বচন আজি যেন অচল  
কোন আপোন কোন পৰ  
শত্ৰু মিত্ৰৰ স্বৰূপ চিনিব নোৱাৰি  
পিছে ধৰ্ম বৰ্ণ জাতি-অজাতিৰ দাম্ভিক অহংকাৰ অস্বীকাৰ কৰি  
সকলো একলগ হোৱাৰ সুচল পথ দেখুৱাই যোৱা পৰম পুৰুষ  
পিতামহৰ সদুপদেশ আছে হৃদয় ভৰি  
আজিও উচ্চাৰিত “যত জীৱ, তত শিৱ”  
মানুহ মানুহৰ বাবে  
শত্ৰুৰ কুটিল ৰণচালি দিম হুৰাই  
ভয় শংকা, সন্দেহ, অপপ্ৰচাৰ দূৰতে বিদূৰ হ’ব  
অতল বিশ্বাস, পাৰস্পৰিক বুজাবুজি  
আত্মিক দয়া মমতা প্ৰেম প্ৰীতিৰে অন্তৰ জিনিম  
জয় হ’ব মানৱতাৰ।

# সময়



মীনাক্ষী গোস্বামী

দায়িত্ব আৰু সপোনৰ সমন্বয়ত  
অতিক্ৰমি অহা কৰ্মব্যস্ত দিনবোৰ  
এতিয়া স্মৃতিৰ কোমল পৃষ্ঠাত  
দিনবোৰ গুচি গ’ল অজানিতে-  
একেলগে ভাগ কৰা মুহূৰ্তবোৰ  
এতিয়া পৃথক হোৱাৰ পথত ।  
এয়া সময়ৰ আহ্বান  
য’ত লুকাই থাকে  
উভতনি যাত্ৰাৰ এক নতুন সুৰ,  
নতুন আৰম্ভণিৰ নতুন আশা।  
জীৱনৰ আন এক অধ্যায়-  
সময়বোৰ য’ত নিজৰ হয়,  
সপোনবোৰে আকৌ এবাৰ ডেউকা মেলে আৰু  
অনুভৱৰ পুষ্ট মনবোৰে গুনগুনাই  
চিৰদিন হৃদয়ত গুঞ্জৰি থকা  
অবিস্মৰণীয় অধ্যায়বোৰৰ  
এটি এটি মিঠা কলি

# অপৰাজেয়



অংকুৰজ্যোতি হাতীমূৰীয়া,শিৱসাগৰ

সপোন আছিল দিগন্তৰ সিপাৰে,
ভাগ্যৰ পাতত হয়তো লিখা আছিল-
আৰু এধানমান ঘাম, আৰু এধানমান ৰাতি।
হাজাৰবাৰ হাত মেলিও চুব নোৱাৰিলোঁ,
গন্তব্যই যেন আঁতৰি গ'ল ধোঁৱাৰ দৰে।
আজি বিশ্বাসৰ শলিতা কঁপিছে বতাহত,
পুৰণি পৰাজয়ৰ ভয়ে বুকু খামুচি ধৰিছে।
ঠিক তেতিয়াই-
গন্তব্যই নিজেই আহি কাণে কাণে ক'লে,
"আৰু অলপ... মাথোঁ এখোজ, মাথোঁ এখোজ আৰু।"
শুই থকা জুইকুৰা জ্বলি উঠিল পুনৰ,
উৎসাহৰ ডেউকা মেলি মই আগবাঢ়িলোঁ।
ঘামৰ শিলত গজিল বিজয়ৰ বেলি,
চকুৰ প্ৰচাৰতে দূৰৈ হ'ল
চিনাকি-গন্তব্য
আৰু সাধু নহয়,
সি মোৰেই উশাহৰ ধূলি।

# স্মাৰ্টফোন আৰু অভিভাৱকৰ দায়িত্ব

কুণ্ডিল হাজৰিকা,
টীয়ক, যোৰহাট



সাম্প্ৰতিক সময়ৰ আটাইতকৈ ভয়ংকৰ সামাজিক ব্যাধিটোৱে আমাৰ সমাজৰ ঘৰবোৰৰ ভিতৰচৰাত অতি নিশব্দে প্ৰৱেশ কৰিছে। সেয়া হৈছে শিশুৰ হাতত স্মাৰ্টফোন তুলি দি অভিভাৱকসকলে নিজৰ অন্য কামত বা ব্যক্তিগত সময়ত ব্যস্ত থকাৰ এক সুবিধাবাদী সংস্কৃতি। যি সময়ত এটা শিশুৰ বাবে প্ৰকৃতিৰ সান্নিধ্য, মুকলি আকাশ আৰু মাক-দেউতাকৰ চেনেহভৰা স্পৰ্শৰ প্ৰয়োজন আছিল, সেই সময় আজি কাঢ়ি নিছে এটা নীলা পোহৰ নিৰ্গত হোৱা যান্ত্ৰিক সঁজুলিয়ে। মাক-দেউতাকে নিজৰ কামৰ বোজা পাতলাবলৈ বা শিশুটিক শান্ত কৰি ৰাখিবলৈ যিটো ফোনক 'ডিজিটেল খেলনা' হিচাপে ব্যৱহাৰ কৰিছে, সেইটোৱেই যে শিশুটিৰ ভৱিষ্যতৰ বাবে এক বিষবৃক্ষ হৈ পৰিছে, সেই কথা বহু ক্ষেত্ৰত অনুধাৱন কৰিব পৰা নাই।


শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত এই অভ্যাসৰ প্ৰভাৱ অত্যন্ত নেতিবাচক। যি বয়সত শিশুৱে কথা পাতিবলৈ শিকে, পাৰিপাৰ্শ্বিকতাৰ পৰা সামাজিক জ্ঞান আহৰণ কৰে, সেই সময়ত ফোনৰ পৰ্দাত আবদ্ধ হৈ থকাৰ ফলত তেওঁলোকৰ ভাষিক বিকাশ স্থবিৰ হৈ পৰে। বিশেষজ্ঞ সকলৰ মতে, অত্যধিক ফোনৰ ব্যৱহাৰে শিশুৰ মাজত 'ভাৰ্চুৱেল অটিজম'ৰ দৰে লক্ষণৰ সৃষ্টি কৰিব পাৰে, য'ত শিশুৱে আনৰ লগত চকুৱে চকুৱে চাই কথা পতা বা আৱেগিক সঁহাৰি দিয়াৰ ক্ষমতা হেৰুৱাই পেলায়। ইয়াৰ উপৰি, ইণ্টাৰনেটৰ মুকলি পৃথিৱীখনত শিশুসকল অতি সহজেই এনে কিছুমান অনুপযুক্ত সমলৰ সন্মুখীন হয়, যিয়ে তেওঁলোকৰ কুমলীয়া মনত চৰম বিকৃতিৰ সৃষ্টি কৰিব পাৰে।

শাৰীৰিক দিশৰ পৰাও ইয়াৰ পৰিণাম ভয়াবহ। নিৰন্তৰ ফোনৰ স্ক্ৰীনলৈ চাই থকাৰ ফলত অতি কম বয়সতে চকুৰ দৃষ্টিশক্তি হ্ৰাস পোৱাৰ লগতে অনিদ্ৰা আৰু মানসিক অৱসাদৰ দৰে সমস্যাই দেখা দিয়ে। মুকলি পথাৰত খেলা-ধূলা কৰাৰ পৰিৱৰ্তে ঘৰৰ কোণত বহি ফোনত ব্যস্ত থকা শিশুসকল মেদবহুলতা বা স্থূলতাৰ চিকাৰ হয়, যিয়ে পৰৱৰ্তী সময়ত বিভিন্ন দুৰাৰোগ্য ব্যাধিৰ পথ প্ৰশস্ত কৰে। আটাইতকৈ ডাঙৰ ক্ষতিটো হয় শিশুটিৰ সৃষ্টিশীলতাৰ ক্ষেত্ৰত। যন্ত্ৰই যোগান ধৰা ৰেডিমেড মনোৰঞ্জনে শিশুৰ নিজস্ব কল্পনাশক্তি আৰু চিন্তা কৰাৰ ক্ষমতাক সম্পূৰ্ণৰূপে নিৰ্বাপিত কৰি পেলায়।

অভিভাৱকসকলৰ এই 'ব্যস্ততা' আচলতে এটা অজুহাতহে। শিশুটিৰ লগত কটোৱা গুণগত সময়খিনি ফোনক অৰ্পণ কৰি তেওঁলোকে নিজৰ সন্তানক এক যান্ত্ৰিক অকলশৰীয়া পৃথিৱীলৈ ঠেলি দিছে। পৰিয়ালৰ মাজত থাকিও শিশুটি আজি আৱেগিকভাৱে অনাথ হৈ পৰিছে। এই বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে অভিভাৱকসকল সচেতন হোৱাটো জৰুৰী। ঘৰুৱা কামৰ মাজতো সন্তানক সময় দিয়া, তেওঁলোকৰ সৈতে কথা পতা, কিতাপ পঢ়ি শুনোৱা আৰু ফোনৰ অবিহনে জগতখন চিনি পোৱাত সহায় কৰাটো প্ৰতিজন পিতৃ-মাতৃৰ নৈতিক দায়িত্ব। মনত ৰখা উচিত যে আজিৰ এই সাময়িক আৰামৰ বিনিময়ত আমি আমাৰ সন্তানৰ অমূল্য শৈশৱ আৰু ভৱিষ্যতক ধ্বংসৰ মুখলৈ ঠেলি দিব নোৱাৰো।

# শিশু কৃষ্ণৰ লীলা মাতৃ যশোদাৰ বাৎসল্য প্ৰেম

## মহাপুৰুষ মাধৱদেৱৰ গুৰুজনাৰ অৰ্জুন ভঞ্জন নাটৰ যোগেদি বহি প্ৰকাশ



নমিতা দাস, শুৱালকুছি শান্তিতোল

শ্ৰীকৃষ্ণৰ বাল্যকালৰ লীলাক বিষয় বস্তু হিচাপে লৈ লিখা এখন অন্যতম নাট হৈছে "অৰ্জুন ভঞ্জন (বা দধিমথন)" ভাগৱতৰ দশম স্কন্ধৰ আধাৰত ৰচিত। মহাপুৰুষ মাধৱদেৱে মাতৃ যশোদা আৰু শিশু কৃষ্ণৰ মাজৰ যি প্ৰেম কৃষ্ণৰ শিশু সুলভ কাৰ্যৰ মাজেৰে তেওঁ যে ত্ৰিজগতৰ পতি হৰি তাকো *(বাৰপৃষ্ঠাত চাওক)*

# সময়ৰ সোঁৱৰণিৰ অপৰাজেয় ব্যক্তিত্ব

প্ৰস্তুতি শৰ্মা
মিছামৰা, গোলাঘাট



মৃত্যুৱে যাক অভিনন্দন জনাই সেই মৃত্যু অপৰাজেয়।

আজি লিখিবলৈ লৈছো বৃহত্তৰ তেলীয়া সোণাৰী গাঁৱৰ এগৰাকী সৰবৰহী সামাজিক ক্ষেত্ৰত জড়িত থকা শ্ৰদ্ধাৰ নিকুঞ্জলতা দেৱী (কুঞ্জ জেঠাইৰ) বিষয়ে । যি আমাৰ মাজৰ পৰা হেৰাই গৈছে যদিও তেওঁ এতিয়া আমাৰ হৃদয়ত জী থাকিব সদায়।

জেঠাইক সৰুৰে পৰাই লগ পাইছিলোঁ, বিভিন্ন বিষয়ৰ কথা পাতিছিলোঁ। বিশেষকৈ জেঠাইৰ লগত মোৰ সম্পৰ্ক আছিল বন্ধুত্বসুলভ। এতিয়া এই সময়বোৰ দুঃ সময় হৈ ৰৈ যাব স্মৃতিৰ পাতত আলোড়িত হৈ। বিচ্ছেদৰ অবিহনে জীৱন পৰিক্ৰমা পূৰ্ণ নহয়। তথাপিও এই বিচ্ছেদ বেদনাদায়ক। বৰ অসহনীয়।

সহজ সৰল, নিৰ্জু আৰু নিৰহঙ্কাৰী জেঠাই আছিল আমাৰ সকলোৰে বাবে প্ৰেৰণাদায়ীনী নাৰী । তেখেতৰ ব্যক্তিত্ব জনমানসত উজ্ব ল হৈ ৰওক। উত্তৰ পুৰুষৰ বাবে তেখেত যেন আদৰ্শ হৈ ৰওক। মই ভাবো সমাজত এনে নাৰীৰ প্ৰয়োজন যি সমাজৰ হিতৰ বাবে এক ভোটাতৰা স্বৰূপ ।

# লিমাৰিক




(১) **মায়া বৰদলৈ**

বেমাৰ বেমাৰ বুলি কিমান কান্দিম
পুত্ৰ-বোৱাৰীক ক'লো ফুৰিকে আহিম
দ্বাৰকানে সোমনাথ
বান্ধোঁ মন বুকুডাঠ
পেঞ্চনে আটেমানে ফুৰিয়েই থাকিম ।

(২)

শাহু আয়ে মাতিছে মোক স্বৰ্গ পুৰীলৈ
পতিদেৱে নিদিয়ে যে অকলে যাবলৈ
জ্বৰে বিষে কোঙা কৰে
ঔষধে ফেল মাৰে
নাতিয়ে বোলে আইতা আহা চেন্নাইলৈ ।



(১) **ৰুক্মিণী দাস, শ্ৰীহাটী**

লাখে লাখে আকাশত অগনন তৰা
যেন কৰে আকাশতেই ল'ৰা ঢপৰা
ৰঙা, নীলা, হালধীয়া
কিমান যে ৰহনীয়া
চাই থাকো মন ভৰি দূৰনীৰ পৰা ।।

(২)

নাৰীয়ে নুবুজে কিন্তু নাৰীৰ বেদনা
নাৰী কৰে কিন্তু বহু ঠাইত ছলনা
ধন্য প্ৰেম জয়মতী
সাৱিত্ৰীও মহা সতী
সৎ চৰিত্ৰত থাকে ঠগ প্ৰবঞ্চনা


# নিয়তিৰ পৰিহাস



**দীপালী শইকীয়া গগৈ, আমগুৰি**

এনেকৈনো হঠাতে মানুহ পৃথিৱীৰ পৰা নাইকীয়া হৈ যায় নে ? আগদিনা নৃত্য গীতৰ অনুষ্ঠানত অংশ কৰি জনতাক মোহাচ্ছন্ন কৰি ৰখা ছোৱালীজনীয়ে পুৱা সাৰেই নাপালে। সকলোৱে তাইৰ নিথৰ দেহটো কৌতূহল ভৰা দৃষ্টিৰে চাই নীৰৱে চকুলো টুকিলে।

# NEET Paper Leak: A National Crisis Destroying the Dreams of Honest Students




**Heramba Nath**

Mental health support for students has become increasingly important. Competitive examinations often create fear of failure, loneliness and emotional exhaustion. When controversies arise, these feelings become even more intense. Schools, colleges and coaching institutions should provide counselling services and emotional guidance to students. Society must understand that examinations are important, but a student's life and mental well-being are even more valuable.

The NEET paper leak controversy is not only about one examination; it is about the credibility of the nation's education system. Education forms the backbone of any progressive society. If students lose faith in fairness and transparency, the long-term consequences can be dangerous. A country cannot truly progress if deserving talent feels ignored or betrayed.

India's future depends upon its youth. The dreams of hardworking students must be protected at all costs. The authorities must take every possible step to ensure that examinations remain honest, secure and transparent. Technological safeguards, stricter monitoring systems and independent investigations can help restore public confidence. More importantly, the system must send a strong message that corruption and malpractice will never be tolerated.

At this difficult moment, the entire nation must stand beside students and parents. Their pain, frustration and disappointment are genuine. The hopes of millions of young people cannot be allowed to suffer because of corruption and negligence. Every honest student deserves a fair opportunity to succeed through merit and hard work alone.

The NEET paper leak controversy should serve as a wake-up call for the entire country. It reminds us that educational integrity is essential for justice, equality and national progress. The future doctors, scientists and leaders of India deserve an examination system built upon honesty, transparency and trust. Only then can the dreams of millions of students continue to shine with hope instead of fear and uncertainty.

# ম'বাইল ফোনৰ ওপৰত একলম

তাতেই ব্যস্ত হৈ চাই থাকে শেষত ম'বাইল অবিহনে সিহঁতক ৰাখিব নোৱাৰে। ভাৰসাম্য হেৰুৱাই কথা ক'ব শিকাবও নোৱাৰে এক জটিল ৰূপ ধাৰণ কৰা দেখিবলৈ পাওঁ। সকলো সচেতন হ'বৰ হ'ল। শিশুক ম'বাইল দিব নালাগে। ককা -আইতাকৰ সংস্পৰ্শত ৰাখি মাত কথা কোৱা আৰু অকণমান ডাঙৰ হ'লে তেওঁলোকৰ পৰা নীতি শিক্ষা লাভ কৰিব দিব লাগিব। সম্পৰ্কৰ মিঠা অনুভৱ পেহা-পেহী, ককা-আইতা আদিৰ অনুভৱ কৰাব লাগিব।

ম'বাইলৰ কাৰণে এতিয়াৰ প্ৰজন্মৰ মাজত আবেগ অনুভূতি কমি আহিছে যাৰ ফলত এচাম প্ৰজন্ম বেয়া দিশলৈ গতি কৰিছে। আমি অভিভাৱক সকলে সচেতন হ'ব লাগিব, সিহঁত ডাঙৰ হ'লে ম'বাইলটো সিহঁতৰ হাতত তুলি দিওঁতে ভাল বেয়া দুয়োটা দিশ প্ৰতি অকণমান উনুকিয়াই থব পাৰিলে ভাল। কাৰণ আজিৰ প্ৰজন্ম এখন দেশৰ মূল আধাৰ। তেওঁলোক মানসিক আৰু শাৰীৰিক ভাৱে সুস্থ হ'লেহে দেশখন সুস্থ থাকিব। ম'বাইলটো আৱশ্যকীয় সামগ্ৰী মাত্ৰ তেওঁলোকে ভালদৰে পৰিচালনা কৰিলে হ'ব লগতে অভিভাৱকৰো দায়িত্ব আছে।

# ইটালীৰ প্ৰধানমন্ত্ৰী

অসমৰ পৰিচয়। আমাৰ গৌৰৱ, আমাৰ স্বাভিমান এৰী বস্ত্ৰক বিশ্বমুখী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইটালী ভ্ৰমণৰ সময়ত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইটালীৰ মাননীয় প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনীলৈ উপহাৰ হিচাপে আগবঢ়োৱা আমাৰ ঐতিহ্যমণ্ডিত এৰী চাদৰে পুনৰ এবাৰ বিশ্বদৰবাৰত তুলি ধৰিলে অসমৰ বয়নশিল্পৰ গৌৰৱ। বয়ন শিল্পৰ ক্ষেত্ৰত শান্তিৰ প্ৰতীক হিচাপে পৰিচিত এৰী হৈছে অসমৰ আত্মা, সংস্কৃতি আৰু স্বকীয়তাৰ এক উজ্জ্বল প্ৰতিচ্ছবি। একেদৰে খাদ্য আৰু কৃষি সংস্থাৰ সঞ্চালকপ্ৰধান ড° কু ডংইউলৈ আগবঢ়োৱা সুগন্ধি জহা চাউলেও বিশ্ববাসীক চিনাকি কৰাই দিলে অসমৰ মাটিৰ অনন্য সুবাস। আমাৰ শিল্প, সংস্কৃতি আৰু ঐতিহ্যক বিশ্বমঞ্চত মৰ্যাদাপূৰ্ণ স্থান দিয়াৰ এই প্ৰয়াসৰ বাবে প্ৰধানমন্ত্ৰী ডাঙৰীয়াক অসমবাসীৰ হৈ জনাইছোঁ আন্তৰিক কৃতজ্ঞতা।

# পুলৱামা আক্ৰমণৰ

অৰ্জুমন্দ বুলজাৰ ডাৰ। তেওঁৰ জন্ম পুলৱামাৰ ৰতনীপোৰা এলেকাৰ খাৰবাতপোৰাত। ২০১৭ চনত উচ্চ শিক্ষাৰ বাবে হামজাই কাশ্মীৰ এৰি পাকিস্তানলৈ যায়। তালৈ গৈয়ে হামজাই নিষিদ্ধ আল-বদৰ সংগঠনত যোগ দিয়ে । সেই সংগঠনটোৰ কমাণ্ডাৰ পদতো অধিষ্ঠিত হয়। ইয়াৰ পিছতে দক্ষিণ কাশ্মীৰৰ পুলৱামাৰ পৰা ছোপিয়ান পৰ্যন্ত প্ৰভাৱ বিস্তাৰ কৰে হামজাই। ২০১৯ চনত পুলৱামা আক্ৰমণৰ সময়ছোৱাতে কেইবাটাও আক্ৰমণৰ সৈতে হামজাৰ নাম জড়িত হৈ পৰিছিল। এই ঘটনাৰ পিছতে বালাকোটলৈ সোমাই গৈ ছাৰ্জিকেল ষ্ট্ৰাইক কৰিছিল ভাৰতীয় বায়ুসেনাই। চোৰাংচোৱা সূত্ৰৰ পৰা জানিব পৰা গৈছে যে পুলৱামাত আক্ৰমণকাৰীসকলক গ্ৰেনেড, বিস্ফোৰক যোগান ধৰিছিল হামজাই। ২০২০ চনৰ ১৮ নৱেম্বৰত সংঘটিত চিআৰপিএফ জোৱানৰ ওপৰত আক্ৰমণৰ ঘটনাতো তেওঁৰ নাম জড়িত হৈছিল। তাৰ পিছতে চলে দীঘলীয়া তালাচী অভিযান। কিন্তু হামজাই কোনোপ্ৰকাৰে পাক অধিকৃত কাশ্মীৰলৈ পলাই যাবলৈ সমৰ্থ হয়।

# ঘোচ লৈ গ্ৰেপ্তাৰ এচিএছ

হাতে-লোটে কৰায়ত্ত কৰাৰ বেহু ৰচনা কৰে। নগদ ৪৫ হাজাৰ টকা উৎকোচ লৈ থকাৰ সময়তে দুৰ্নীতি নিবাৰকৰ দলে হাতে- লোটে বিষয়াজনক কৰায়ত্ত কৰে। এই সন্দৰ্ভত দুৰ্নীতি নিবাৰকে ১৯/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰি ঘোচখোৰ বিষয়াজনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে পূৰ্বে লখিমপুৰ জিলাতো জিলা আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰা জ্যেষ্ঠ এচিএছ বিষয়াজনে ১৯৯৯ চনত চাকৰিত যোগদান কৰিছিল। এসময়ত কামৰূপ (মহানগৰ) জিলাতো তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। চাকৰিত থকা সময়ছোৱাত বহু লোকৰ পৰা বলপূৰ্বকভাৱে উৎকোচ লোৱাৰ অভিযোগ উঠিছে বিষয়া দাসৰ বিৰুদ্ধে। কাৰ্যালয়ত হাতে-লোটে কৰায়ত্ত কৰাৰ পাছতে বৃহস্পতিবাৰে দুৰ্নীতি নিবাৰকৰ এটা দলে বিষয়াজনৰ বেলতলাৰ কুইন গাৰ্ডেন এপাৰ্টমেণ্টত থকা ফ্লেটত অভিযান চলায়। অভিযানত দলটোৱে বৃহৎ পৰিমাণৰ নগদ ধন আৰু সোণৰ অলংকাৰ উদ্ধাৰ হৈছে। দুৰ্নীতিগ্ৰস্ত বিষয়াজনৰ ঘৰত দুপৰ নিশালৈ চলা ১০ ঘণ্টীয়া অভিযানত জব্দ হৈছে নগদ ৫০ লাখ টকা। একেসময়তে অভিযান কালত লাচিত কুমাৰ দাসৰ ঘৰত আধা কেজিতকৈ অধিক সোণৰ অলংকাৰ জব্দ হৈছে। আধা কেজি তথা ৫০০ গ্ৰাম সোণৰ বৰ্তমান বজাৰ মূল্য ৭২ লাখ ৫৭ হাজাৰৰো অধিক। ইয়াৰ উপৰি লাচিত দাসৰ একাধিক জীৱন বীমা নিগমৰ বিভিন্ন নথি-পত্ৰও উদ্ধাৰ হৈছে। লগতে লাচিত কুমাৰ দাসৰ গুৱাহাটীৰ ভিন্ন স্থানত ভূমি, ফ্লেটো আছে বুলি জানিব পৰা হৈছে।

# বিদ্যালয়লৈ যোৱাৰ

বাহনসহ ঘটনাস্থলীত উপস্থিত হয় আৰু উত্তেজিত পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। স্থানীয় ৰাইজে চাহ বাগিচাৰ পৰিচালকৰ ওপৰত ক্ষোভ প্ৰকাশ কৰাৰ লগতে গোটেই ঘটনাটোত ৰহস্যৰ গোন্ধ পাইছে। ইপিনে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ছাত্ৰী দুগৰাকীৰ মৃতদেহ দুটা উদ্ধাৰ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে আৰু এজন লোকক সোধা-পোছাৰ বাবে আটক কৰিছে। ইপিনে ঢোলমাৰা হাইস্কুলৰ প্ৰধান শিক্ষক যশোকান্ত ৰায়ে সদৰী কৰা মতে, নৱম শ্ৰেণীৰ ছাত্ৰী ক্ৰমে অনামিকা বাৰা আৰু সৰিতা উৰাওৰ উপস্থিতি শিক্ষাসেতুত আবদ্ধ হোৱা নাই। সেইসূত্ৰে তেওঁলোক বিদ্যালয়লৈ অহা নাছিল। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিয়ে আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰু তদন্তৰ পিছত সকলো কথা পৰিস্কাৰ হ'ব বুলি সদৰী কৰিছে।

# শপতগ্ৰহণৰ পাছত জুবিনক্ষেত্ৰত

অগ্ৰগতিৰ বুজ লোৱাৰ লগতে মুখ্যমন্ত্ৰীয়ে সমাধিস্থলীত সেৱা জনাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে সংবাদ মাধ্যমৰ আগত জুবিনৰ সমাধিক্ষেত্ৰ নিৰ্মাণৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- লোকনিৰ্মাণ বিভাগে ইতিমধ্যে জুবিনক্ষেত্ৰ নিৰ্মাণৰ প্ৰাৰম্ভিক কাম-কাজ হাতত লৈছে। প্ৰায় তিনি কোটি টকা ব্যয়েৰে সমাধিৰ বাউণ্ডেৰী ৱাল নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। সমান্তৰালভাৱে সমাধিৰ ওপৰ অংশৰ পৰা যাতে মাটি খহি নাহে, তাৰ বাবেও কিছু ব্যৱস্থা হাতত লোৱা হৈছে। এই পৰিদৰ্শনকালত লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলৰ সৈতে বিস্তৃত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে সমাধিক্ষেত্ৰত নিৰ্মাণ হৈ থকা বাউণ্ডেৰী ৱালৰ পিছত সমাধিক্ষেত্ৰ নিৰ্মাণৰ যি পদক্ষেপ তালৈও আগবাঢ়ি যোৱাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়া হৈছে। এক সুন্দৰ পৰিকল্পনা ইতিমধ্যে প্ৰস্তুত কৰা হৈছে আৰু তাক ভালদৰে যাতে আগুৱাই নি এক সুন্দৰ জুবিনক্ষেত্ৰ নিৰ্মাণ কৰিব পাৰি সেই দিশত অগ্ৰসৰ হ'ম। এই জুবিনক্ষেত্ৰৰ নক্সাও ইতিমধ্যে প্ৰস্তুত হৈছে। এই কাম অতি সোনকালে আৰম্ভ কৰা হ'ব। অসম চৰকাৰে এই সমাধি নিৰ্মাণৰ বাবে পূৰ্বে যি সংকল্প লৈছিল সেয়া অব্যাহত থাকিব। আনহাতে জুবিনক্ষেত্ৰত ১০ বিঘা ভূমি আবণ্টন দিয়া হৈছে। ইয়াৰ বাবে অতিৰিক্ত ভূমি দিবলৈ হ'লে পাহাৰ খনন কৰিব লাগিব আৰু তেতিয়া পাৰিপাৰ্শ্বিক অৱস্থাৰ স্খলন হ'ব আৰু বানৰ সৃষ্টি হ'ব পাৰে। স্থানীয় ৰাইজেও পাহাৰ খননৰ আপত্তি তুলি আহিছে। ইফালে জুবিনক লৈ সদ্যসমাপ্ত নিৰ্বাচনত বিৰোধীয়ে ৰাজনীতি কৰাৰ বাবে ২০ শতাংশ ভোট বিজেপিয়ে বেছিকৈ পালে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়- জুবিনৰ সমাধিৰ স্থান নিৰ্বাচনৰ বাবে মই ৰপ্তবাৰতকৈ অধিক এই স্থানলৈ আহিছোঁ। এই স্থানতে জুবিনৰ শেষকৃত্য বা অন্তিম যাত্ৰাৰ ব্যৱস্থা কৰাৰ সময়তো আমি এই স্থানত উপস্থিত আছিলোঁ। কিন্তু পিছত ৰাজনীতিৰ লগত জড়িত লোকসকলে জুবিনক লৈ ইমানেই ৰাজনীতি কৰিলে যে এটা সময়ত ইয়ালৈ আহিবলৈ বেয়া লগা হ'ল। কাৰণ ইয়াতে জুবিনতকৈ ৰাজনীতিৰ কথা বেছিকৈ আলোচনা চলিল। মই জানিছিলোঁৱেই নিৰ্বাচনৰ পিছত জুবিনক লৈ চলা ৰাজনীতি শেষ হ'ব। জুবিনৰ আচল যি সত্তা, আচল যি শিল্পীমন সেয়া নিজে নিজে প্ৰকাশ হ'ব, সেয়া মই অনুমান কৰিছিলোঁ। আজি মই অনুভৱ কৰোঁ যে মানুহে লাহে লাহে জুবিনৰ স্মৃতি কেনেকৈ জীয়াই ৰাখিব লাগে, সংগীতক কেনেদৰে জীয়াই ৰাখিব লাগে, অৱদানসমূহ কেনেকৈ জীয়াই ৰাখিব লাগে তাৰ বিষয়ে আলোচনা কৰিব। মই ভাবোঁ যে জুবিনক লৈ ৰাজনীতি আৰু নকৰে। যিসকলে জুবিনক্ষেত্ৰলৈ আহি ৰাজনীতি কৰিলে, জীয়াই থকা দিনত তেওঁলোকে জুবিনক সদায় সমালোচনা কৰি আহিছিল। গতিকে জুবিনৰ এইসকল অনুৰাগী আছিল এক উদ্দেশ্য লৈ। আমাৰ কাৰণে জুবিন অতীততো আছিল, বৰ্তমানেও আছে আৰু ভৱিষ্যতেও তেনেদৰেই থাকিব। নিৰ্বাচনৰ প'লিং বুথত জুবিনৰ ফটো লগাই দিয়া, দলৰ কাৰ্যালয়ত জুবিনৰ ফটো লগাই দিয়াটো মানুহে নিবিচাৰে। শিল্পী সদায় অৰাজনৈতিক হৈ থকাটোৱেই বিচাৰে। জুবিনক লৈ ৰাজনীতি কৰা কাৰণে অতি কমেও প্ৰত্যেকটো সমষ্টিত ২০ শতাংশ ভোট বেছিকৈ পাইছোঁ। জুবিনক লৈ নিৰপেক্ষ হৈ থাকিলে হয়তো কংগ্ৰেছকো ভোট দিলেহেঁতেন, বিজেপিকো দিলেহেঁতেন। কিন্তু জুবিনক লৈ ৰাজনীতি কৰা দেখা বাবে শেষ মুহূৰ্তত বিজেপিৰ ২০ শতাংশ ভোট যোগ হৈছে। বিজেপিয়ে এক স্পষ্ট সিদ্ধান্ত লৈছিল যে জুবিনক লৈ আমি ৰাজনীতি নকৰোঁ। সেই সিদ্ধান্ত যে বিজেপিৰ শুদ্ধ সিদ্ধান্ত আছিল তাক সময়ে প্ৰমাণ কৰিলে। মুখ্যমন্ত্ৰীৰ সৈতে এই পৰিদৰ্শনকালত ডিমৰীয়াৰ স্থানীয় বিধায়ক ড° তপন কুমাৰ দাস আৰু বিধায়ক পীযূষ হাজৰিকাৰ লগতে আন কেইবাজনো চৰকাৰী বিষয়া উপস্থিত আছিল ।

# জাগীৰোডৰ ছেমি-কণ্ডাক্টৰ

অন্তৰ্গত এই অঞ্চলটোত উপলব্ধ ৩৩১ বিঘাৰো অধিক চৰকাৰী ভূমি সংৰক্ষণ কৰি বিভিন্ন চৰকাৰী অনুষ্ঠান আদি স্থাপনৰ বাবে আবণ্টনৰ পৰিকল্পনা হাতত লৈছে চৰকাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আঁহতগুৰিৰ চিপিৰি-দুৰুলাডুবি ৰাজহ গাঁৱৰ ১, ০৬৭ বিঘাৰো অধিক ভূমিত প্ৰস্তাৱিত মেগা ইণ্ডাষ্ট্ৰিয়েল পাৰ্কস্থলীত উপস্থিত হৈ প্ৰকল্পটোৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে উক্ত স্থানত উপস্থিত হৈ স্থানীয় ৰাইজৰ সৈতেও মত বিনিময় কৰে। এই পৰিদৰ্শনকালত স্থানীয় বিধায়ক পীযূষ হাজৰিকাৰ লগতে মুখ্য সচিব ৰবি কোটা আৰু অন্যান্য শীৰ্ষ বিষয়াসকলে মুখ্যমন্ত্ৰীক সংগ দিয়ে। এই ভ্ৰমণকালতে অসমৰ অৰ্থনীতি আৰু নিয়োগৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিবলগীয়া জাগীৰোডস্থিত টাটা ছেমিকণ্ডাক্টৰ এছেম্বলী এণ্ড টেষ্ট প্ৰকল্পস্থলী পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। এই পৰিদৰ্শনকালত টাটা ছেমিকণ্ডাক্টৰ এছেম্বলী এণ্ড টেষ্ট প্ৰকল্পস্থলীৰ জ্যেষ্ঠ বিষয়াসকলে প্ৰকল্পটোৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভত এক চমু খতিয়ান দাঙি ধৰে মুখ্যমন্ত্ৰীক। অভিলাষী এই প্ৰকল্পটো নিৰ্মাণৰ কামসমূহ যাতে নিয়াৰিকৈ সম্পাদন হয়, সেই দিশত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় পৰামৰ্শ প্ৰদান কৰে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীক সংগ দিয়ে প্ৰকল্পটোৰ সঞ্চালক আশিস মিশ্ৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই জাগীৰোডৰ ঐতিহাসিক আৰু পৱিত্ৰ গোভা দেওৰজা চাৰিভাই দেওশাল শিৰ থানত উপস্থিত হৈ ৰাজ্যবাসীৰ মংগলৰ বাবে পূজা-অৰ্চনা আগবঢ়ায়। শিৰথান দৰ্শনৰ পাছতে শেহতীয়াকৈ ছেটেলাইট টাউনশ্বিপ গঠনৰ বাবে জনজাতীয় এলেকাত উচ্ছেদ চলিব বুলি চলি থকা প্ৰচাৰ সন্দৰ্ভত স্থানীয় দল-সংগঠনৰ সৈতে বাৰ্তালাপ কৰে মুখ্যমন্ত্ৰীয়ে। এই বাৰ্তালাপতে মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিবাদকাৰী নেতৃত্বক স্পষ্ট কৰি দিয়ে যে চৰকাৰে কোনো জনজাতীয় লোকক উচ্ছেদ নকৰে। বন বিভাগৰ মাটিত পট্টা দিবলগীয়া হ'লেও জৰীপ হ'ব লাগিব। একমাত্ৰ জনজাতীয়সকলেহে বনভূমিত পট্টা লাভ কৰিবলৈ সক্ষম হ'ব। সকলো লোককে পট্টা দিলে কোনোবাই ন্যায়ালয়লৈ গ'লে যদি উচ্ছেদৰ নিৰ্দেশ দিয়ে তেন্তে চৰকাৰে উচ্ছেদ কৰিব লাগিব। সেয়েহে জাগীৰোডৰ সিদ্ধিশ্বৰৰ মাটিত পট্টা দিবলৈ হ'লে চৰকাৰে সমপৰিমাণৰ মাটি বন বিভাগক চমজাই দিব লাগিব। গতিকে স্থানীয় লোকসকলে জৰীপৰ কামত চৰকাৰক সহযোগ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে সিদ্ধিশ্বৰৰ ২, ৭০০ বিঘা মাটি মুকলি কৰি তিৰা লোকক পট্টা দিবলৈ হ'লে বেলেগ স্থানত সমপৰিমাণৰ ভূমি বন বিভাগক দিব লাগিব। তিৱা ৰাইজক পট্টা দিয়াৰ পিছত ৰৈ যোৱা চৰকাৰী ভূমিত মহাবিদ্যালয়, চিকিৎসালয় স্থাপন হ'ব, কিন্তু কোনো কাৰণতে ছেটেলাইট টাউনশ্বিপ নহয়।

# ১০ দিনত তৃতীয়বাৰৰ

প্ৰধানমন্ত্ৰীয়ে। বাস্তৱিকতে পশ্চিম এছিয়াৰ পৰিস্থিতিৰ ওপৰত সমগ্ৰ বিশ্বতে ইন্ধনৰ দামৰ উঠা-নমা নিৰ্ভৰ কৰে। দিল্লী আৰু সংলগ্ন এলেকাত কমপ্ৰেছড নেচাৰেল গেছ বা চিএনজিৰ দামো বৃদ্ধি পাইছে। প্ৰতিকেজিত ২ টকাকৈ বৃদ্ধি পাইছে চিএনজিৰ দাম। তেল কোম্পানীসমূহে প্ৰতি লিটাৰ পেট্ৰলত ৮৭ পইচা আৰু প্ৰতি লিটাৰ পেট্ৰলত ৯১ পইচা দাম বৃদ্ধি কৰাৰ পাছত গুৱাহাটীত প্ৰতি লিটাৰ পেট্ৰলৰ দাম ১০৩.৬৯ টকা আৰু ডিজেলৰ দাম ৯৫.০১ টকা হৈছে। আনহাতে ৰাজ্যখনৰ ভিতৰত সকলোতকৈ অধিক দাম হৈছে মাজুলীত। এই ক্ষেত্ৰত দ্বিতীয় স্থানত আছে লখিমপুৰ। মাজুলীত এক লিটাৰ পেট্ৰলৰ দাম ১০৫.০৫ টকা হোৱাৰ বিপৰীতে লখিমপুৰত এক লিটাৰ পেট্ৰলৰ দাম হৈছেগৈ ১০৪.৯৪ টকা। একেদৰে মাজুলীত প্ৰতি লিটাৰ ডিজেলৰ দাম ৯৬.৩৮ টকালৈ আৰু লখিমপুৰত ৯৬.২৫ টকালৈ বৃদ্ধি পাইছে।

# ২৫ মে’ত পুনৰ হ’ব

অধিবক্তাগৰাকীয়ে তেওঁৰ জামিনৰ সমৰ্থনত ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যু এক দুৰ্ঘটনা আছিল বুলি যুক্তি আগবঢ়ায়। শুনানিকালত শ্যামকানুৰ অধিবক্তাই জুবিন গাৰ্গক শ্যামকানু মহন্তই সুৰাৰ যোগান ধৰা নাছিল বুলিও যুক্তি দিয়ে। ইয়াৰ বাবে প্ৰৱাসী তন্ময় ফুকনক দোষাৰোপ কৰি অধিবক্তাই শুনানিকালত তন্ময় ফুকনক কিয় গ্ৰেপ্তাৰ কৰা নাই বুলিও প্ৰশ্ন তোলে। উল্লেখ্য যে শ্যামকানু মহন্তৰ জামিন বিচাৰি পোনতে ফাষ্টট্ৰেক আদালতত শ্যামকানুৰ অধিবক্তাই জামিন আবেদন দাখিল কৰিছিল। ফাষ্টট্ৰেক আদালতে শ্যামকানুৰ জামিন নাকচ কৰাৰ পিছত শ্যামকানুৰ অধিবক্তাই গুৱাহাটী উচ্চন্যায়ালয়ৰ কাষ চাপে। শ্যামকানুৰ অধিবক্তাই দাখিল কৰা এই আবেদনৰ শুনানি পোনতে ন্যায়াধীশ পাৰ্থিৱ জ্যোতি শইকীয়াৰ আদালতে ব্যক্তিগত কাৰণ দেখুৱাই শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে আৰু অন্য এখন আদালতত ইয়াক পুনৰ পঞ্জীয়নৰে শুনানি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ আধাৰতে ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতে দ্বিতীয়বাৰৰ বাবে শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি লয়।

# শিৱসাগৰত অ’এনজিচিৰ বিৰুদ্ধে

অ’এনজিচিৰ এই থলুৱাবিৰোধী নীতিৰ বাবে বৰ্তমান সময়ত শিৱসাগৰকে ধৰি কেইবাখনো জিলাত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। শিৱসাগৰতে খনন আৰু উৎপাদন কৰি মুনাফা আদায় কৰি অহা অ’এনজিচিয়ে বিগত দহটা বছৰে নিযুক্তিৰ পথ মুকলি কৰা নাই। দহ বছৰ আগত অ’এনজিচিৰ কৰ্মচাৰী আছিল প্ৰায় ১০ হাজাৰ। কিন্তু আজি দহ বছৰৰ পিছত অ’এনজিচিত দুহাজাৰতকৈ কম কৰ্মচাৰী আছে। তেওঁ কয় যে নতুন নিযুক্তি সন্দৰ্ভত অ’এনজিচিয়ে ক’ব বিচাৰে যে উৎপাদন হ্ৰাস পোৱাৰ বাবে তেওঁলোকে নতুন নিযুক্তি দিব পৰা নাই। আজিৰ সময়ত যি উৎপাদন হৈছে, আজিৰ পৰা দহ বছৰৰ পূৰ্বেও অ’এনজিচিয়ে খননৰ জৰিয়তে সেই একেই উৎপাদনেই কৰিছিল। তেতিয়াৰ দহ হাজাৰ কৰ্মচাৰীয়ে যি উৎপাদন কৰিছিল বৰ্তমান দুহাজাৰ কৰ্মচাৰী থকাৰ সময়তো উৎপাদন একেই আছে। কিন্তু অ’এনজিচিৰ কৰ্তৃপক্ষই স্থানীয়ভাৱে উৎপাদন হ্ৰাস পোৱাৰ অজুহাতত নিযুক্তি দিব পৰা নাই বুলি কোৱাৰ বিপৰীতে অতি চতুৰালিৰে বহিঃৰাজ্যৰ লোকক গোপনে নিযুক্তি দিবৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। আনকি এই নিযুক্তিৰ বাবে অ’এনজিচিয়ে কোনো সাক্ষাৎকাৰ অনুষ্ঠিত নকৰি থলুৱা শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক এই নিযুক্তি প্ৰক্ৰিয়াৰ পৰা বঞ্চিত কৰি ৰাখিছে। এয়াই স্পষ্টভাৱে প্ৰমাণিত হৈছে যে অ’এনজিচিয়ে উৎপাদন একেই থকাৰ পিছতো থলুৱাবিৰোধী নীতি গ্ৰহণ কৰিছে। অ’এনজিচিৰ থলুৱাবিৰোধী এনে নীতিক কোনো কাৰণতে মানি লোৱা নহ’ব বুলি তেওঁ স্পষ্ট কৰি দিছে। ইয়াৰ লগতে তেওঁ কয় যে অ’এনজিচিয়ে অতি চক্ৰান্তৰে শিৱসাগৰৰ পৰা তেওঁলোকৰ মূল কাৰ্যালয়বিলাক ডেৰাডুনলৈ স্থানান্তৰিত কৰিছে। লক্ষণীয় বিষয় যে ডেৰাডুনত অ’এনজিচিৰ কোনো তৈলক্ষেত্ৰ নথকাৰ পিছতো কাৰ্যালয়সমূহ অ’এনজিচিয়ে ডেৰাডুনলৈ স্থানান্তৰিত কৰিছে। আনকি পূৰ্বতে শিৱসাগৰত কোটি কোটি টকাৰ নিবিদা গ্ৰহণ কৰা বিভাগটোক শিৱসাগৰৰ পৰা স্থানান্তৰিত কৰা হৈছে। অ’এনজিচিৰ বিত্তীয় বিভাগটো পৰ্যন্ত স্থানান্তৰিত কৰা হৈছে। অ’এনজিচিয়ে তেওঁলোকৰ কাৰ্যালয় বুলি এতিয়া শিৱসাগৰত নামত এটা কেৱল জঁকা ৰাখি থৈছে। অ’এনজিচিৰ এনে সিদ্ধান্তক অসমৰ ৰাইজে কোনো কাৰণতে মানি নলয়। যিহেতু কাৰ্যালয়সমূহ এটা এটাকৈ স্থানান্তৰিত কৰি অ’এনজিচিয়ে থলুৱা শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ সম্পূৰ্ণৰূপে অ’এনজিচিত নিযুক্তি বন্ধ কৰি দিয়াৰ পৰিকল্পনা কৰিছে। থলুৱাবিৰোধী স্থিতি গ্ৰহণ কৰি অসমত খনন আৰু উৎপাদন চলাই যোৱা অ’এনজিচিৰ এনে কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰাৰ লগতে সদৌ টাই আহোম ছাত্ৰ সন্থাই অ’এনজিচিৰ থলুৱাবিৰোধী ভূমিকাৰ বাবে আগন্তুক সময়ত অসমৰ সকলো স্তৰৰ লোকক লগত লৈ অ’এনজিচিৰ বিৰুদ্ধে সৰ্বাত্মক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিব বুলিও সভাপতি বসন্ত গগৈয়ে সংবাদ মেলত স্পষ্ট কৰি দিছে।

# ষষ্ঠদশ বিধানসভাত ১ ঘণ্টা ১৫ মিনিট

পৰা অহা ৰাজহ ২০২১-২২ বিত্তীয় বৰ্ষৰ ২৩, ১১৩ কোটি টকাৰ পৰা বৃদ্ধি হৈ ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩৯, ২৯৪ কোটি টকালৈ বৃদ্ধি পাইছে, যিটোৱে কৰ ব্যৱস্থা, আবকাৰী শুল্ক আৰু অন্যান্য ৰাজহ সৃষ্টিকাৰী খণ্ডত কৰা সংস্কাৰৰ প্ৰভাৱক প্ৰতিফলন কৰে। নিযুক্তি প্ৰসংগ উত্থাপন কৰি ৰাজ্যপালে তেওঁৰ ভাষণত কয়-চৰকাৰে স্বচ্ছ, যোগ্যতাভিত্তিক আৰু প্ৰযুক্তি নিৰ্ভৰ নিয়োগ ব্যৱস্থাৰ জৰিয়তে জনসেৱা প্ৰদান শক্তিশালী কৰিছে। বিগত ৫ বছৰত ১.৬৪ লাখৰো অধিক যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰা হৈছে। এই সফলতাৰ ওপৰত ভিত্তি কৰি আগন্তুক ৫ বছৰত অতিৰিক্ত ২ লাখ চৰকাৰী চাকৰি প্ৰদানৰ প্ৰস্তাৱ ইতিমধ্যে আগবঢ়োৱা হৈছে। একে সময়তে ৰাজ্যজুৰি বৃহৎ ব্যক্তিগত বিনিয়োগৰ কাৰ্যকৰীকৰণ বাস্তৱায়িত হৈ থকাৰ ফলত খনন, উৎপাদন আৰু সেৱাখণ্ডত ব্যাপক নিয়োগৰ সুযোগ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। ৰাজ্যখনৰ খিলঞ্জীয়া, জনজাতীয় আৰু দুৰ্বল সম্প্ৰদায়ৰ লোকসকলৰ বাবে নিৰাপদ, স্বচ্ছ আৰু ন্যায়সংগত ভূমিস্বত্ব নিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি ৰাজ্যপালে তেওঁৰ ভাষণত কয়- যোৱা ৫ বছৰত ভূমি সংস্কাৰ ব্যৱস্থাসমূহে ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা আৰু ভূমি সম্পৰ্কীয় সেৱাসমূহত জনসাধাৰণৰ সুগমতা উন্নত কৰাৰ বাবে এক শক্তিশালী ভেটি স্থাপন কৰিছে। মিছন বসুন্ধৰাৰ অধীনত ৩.৫৬ লাখৰো অধিক পৰিয়ালক ৪.৫৩ লাখ বিঘা মাটিৰ পট্টা প্ৰদান কৰা হৈছে। চৰকাৰে অতিৰিক্ত ৩.২ লাখ চাহ বাগিচাৰ পৰিয়ালক ভূমিৰ অধিকাৰ প্ৰদানৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। একে সময়তে জনজাতীয় আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ আৰু স্বাৰ্থ সম্পূৰ্ণ সুৰক্ষা নিশ্চিত কৰা হ’ব। সত্ৰৰ ভূমি সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ আইন কাৰ্যকৰী কৰাৰ কথা উল্লেখ কৰি ৰাজ্যপালে তেওঁৰ ভাষণত কয়- এই আইনৰ জৰিয়তে সত্ৰৰ ভূমি আৰু বৈষ্ণৱ সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষা, পুনৰুদ্ধাৰ আৰু সংৰক্ষণ নিশ্চিত কৰা হ’ব। চৰকাৰে অসমৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সভ্যতাৰ প্ৰতিষ্ঠানসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এডভান্টেজ আছামৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যপালে কয়- এডভান্টেজ আছাম ২.০ৰ পদক্ষেপৰ জৰিয়তে ৰাজ্যত পৰিৱৰ্তনৰ ভেটি ইতিমধ্যে স্থাপন কৰা হৈছে। ২০২৫ চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত সন্মিলনখনত ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰা হৈছিল। ৩.১০ লাখ কোটি টকাতকৈও অধিক মূল্যৰ প্ৰকল্প ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই প্ৰকল্পসমূহৰ প্ৰায় ৬০ শতাংশ অগ্ৰগতি বিভিন্ন পৰ্যায়ত আছে আৰু ইয়াৰে বহুকেইটা প্ৰকল্প ইতিমধ্যে কাৰ্যকৰী হৈ উঠিছে। ষ্টাৰ্ট-আপ, উদ্যমিতা, এমএছএমই, দক্ষতা-বিকাশ আৰু বৃহৎ বিনিয়োগে সন্মিলিতভাৱে অসমৰ অৰ্থনৈতিক ৰূপান্তৰৰ পৰৱৰ্তী পৰ্যায়তো গতি দিব। বিগত কেইবছৰমানৰ ভিতৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, অসম এমএছএমই উদগনি নীতি আৰু এডভান্টেজ আছাম চ.স্তৰ যুগান্তকাৰী সফলতাই উদ্যোগচালিত বিকাশ, ঔদ্যোগিক সম্প্ৰসাৰণ আৰু কৰ্মসংস্থাপনৰ সৃষ্টিৰ বাবে এক শক্তিশালী ভেটি গঢ়ি তুলিব। এডভান্টেজ আছাম ২.০ৰ জৰিয়তে লাভ কৰা বিনিয়োগৰ গতিশীলতাৰ ওপৰত ভিত্তি কৰি চৰকাৰে বৃহৎ পৰিসৰৰ বিনিয়োগ আকৰ্ষণ কৰাৰ লগতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ ঔদ্যোগিক চহৰ, বিশেষ অৰ্থনৈতিক অঞ্চল, ল’জিষ্টিক হাব আৰু লেণ্ড বেংকসমূহৰ উন্নয়নত অগ্ৰাধিকাৰ দিছে। টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প, নামৰূপ এম’নিয়া-ইউৰিয়া প্ৰকল্প আৰু নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণৰ দৰে বৃহৎ প্ৰকল্পসমূহে অহা ৫ বছৰত অসমৰ ঔদ্যোগিক ক্ষেত্ৰখনক আগুৱাই নিব। ৰাজ্যৰ সন্ত্ৰাসৰ্জৰ্জৰ পৰিৱেশৰ অন্ত পেলাই দীৰ্ঘস্থায়ী শান্তি আৰু সুস্থিৰতা ঘূৰাই অনাৰ ক্ষেত্ৰত চৰকাৰখনে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি ৰাজ্যপাল আৰ্ কয়- ৰাজ্যখনত দীৰ্ঘস্থায়ী শান্তি আৰু সুস্থিৰতা নিশ্চিত কৰিবলৈ বিভিন্ন শান্তিচুক্তিৰ ধাৰাবাহিক ৰূপায়ণৰ লগতে আত্মসমৰ্পণ কৰা কেডাৰসকলৰ পুনৰ সংস্থাপন, দক্ষতা বিকাশ আৰু সামাজিক-অৰ্থনৈতিক সংহতিৰ ব্যৱস্থা অব্যাহত থাকিব। অসম চুক্তিৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যপালে তেওঁৰ ভাষণত কয়- আগন্তুক ৫ বছৰত অসম চুক্তিৰ মুখ্য সমলসমূহ অধিক তৎপৰতাৰে ৰূপায়ণ আৰু অসমৰ ভাষাগত, সাংস্কৃতিক আৰু খিলঞ্জীয়া পৰিচয় সুৰক্ষাৰ ক্ষেত্ৰত অধিক শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰা হ’ব। অসম চুক্তিৰ ৬নং দফাৰ ক্ষেত্ৰত উচ্চস্তৰীয় কমিটীৰ পৰামৰ্শসমূহ ৰূপায়ণৰ বাবে চৰকাৰে সক্ৰিয়ভাৱে কাম কৰি যাব আৰু অসমীয়া জনসাধাৰণৰ অধিকাৰ, ঐতিহ্য আৰু আশা-আকাংক্ষাসমূহ সুৰক্ষিত কৰাৰ বাবে চৰকাৰী ব্যৱস্থা অধিক শক্তিশালী কৰা হ’ব। সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰ আৰু আভ্যন্তৰীণ নিৰাপত্তা ব্যৱস্থাৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যপালে তেওঁৰ ভাষণত কয়-চুবুৰীয়া দেশৰ পৰা হোৱা অবৈধ অনুপ্ৰৱেশ অসম তথা দেশৰ বাবে গুৰুতৰ নিৰাপত্তাজনিত সমস্যা হিচাপে পৰিগণিত হৈ আহিছে। আন্তঃৰাষ্ট্ৰীয় সীমান্তত বিশেষকৈ পশ্চিমবংগৰ একাংশত থকা সুৰুঙা আৰু বেৰহীন অংশসমূহৰ বাবে বছৰ বছৰ ধৰি অনুপ্ৰৱেশ ৰোধৰ প্ৰচেষ্টাত বাধা আহি পৰিছিল। পশ্চিমবংগৰ নতুন চৰকাৰে সীমান্তৰ বেৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভূমি হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়াটো গুৰুত্বপূৰ্ণ আৰু আদৰণীয়। ইয়াৰ ফলত ভাৰত-বাংলাদেশ সীমান্তৰ বাকী থকা বেৰহীন অংশসমূহৰ নিৰ্মাণকাৰ্য দ্ৰুততৰ হ’ব। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি দায়বদ্ধ কেন্দ্ৰীয় চৰকাৰে এতিয়া অসম আৰু পশ্চিমবংগৰ মাজত ঘনিষ্ঠ সমন্বয়ৰে কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছে। সীমান্তৰ দীৰ্ঘদিনীয়া প্ৰত্যাহ্বান মোকাবিলা কৰিবলৈ অচিৰেই এক শক্তিশালী আৰু সংহত পদক্ষেপ লোৱা হ’ব। শিলিগুৰিৰ কৰিড’ৰৰ দৰে কৌশলগতভাৱে স্পৰ্শকাতৰ অঞ্চলকে ধৰি সীমান্তৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ সীমান্ত ব্যৱস্থাপনা যথেষ্ট শক্তিশালী হ’ব আৰু অনুপ্ৰৱেশৰ ক্ষেত্ৰত অধিক ফলপ্ৰসূভাৱে ব্যৱস্থা ল’ব পৰা যাব। ৰাজ্যপালে তেওঁৰ ভাষণত ইয়াকো উল্লেখ কৰে যে নতুন চৰকাৰৰ প্ৰথমখন কেবিনেটত ইউচিচি বা উমৈহতীয়া দেৱানি বিধি বলৱৎ সম্পৰ্কীয় প্ৰস্তাৱ অনুমোদন জনোৱাটো উল্লেখযোগ্য দিশ। ইউচিচি বলৱৎ হ’লে সামাজিক সম্প্ৰীতি, ন্যায়, লিংগ সমতা আৰু এক আধুনিক প্ৰগতিশীল সমাজ গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হ’ব।

## ENGLISH NEWS SECTION

# Governor releases book on diabetic foot care



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today released a book titled “Diabetic Foot: Some Unknown Facts” authored by Dr. Sudhir Kumar Jain at Lok Bhavan. Speaking on the occasion, Governor Shri Acharya said that with the increasing prevalence of diabetes in society and associated health risks, there is an urgent need to spread awareness about its complications and promote timely medical intervention. He observed that the book would serve as a valuable guide for patients, caregivers and healthcare professionals by providing accurate, evidence-based and easy-to-understand information on diabetic foot care. The Governor lauded Dr. Jain for authoring the book and said that the publication based on his vast medical experiences would help create awareness and remove misconceptions about diabetic foot infections. Shri Acharya further stated that the publication would contribute significantly towards strengthening health consciousness and building a healthier society. He added that timely diagnosis, proper treatment and awareness can save both lives as well as limbs, and expressed hope that the book would encourage people to adopt preventive healthcare practices. Highlighting the importance of compassionate and inclusive healthcare, Shri Acharya referred to the ancient Sanskrit verse,- “Sarve Bhavantu Sukhinah, Sarve Santu Niramayah, Sarve Bhadrani Pashyantu, Ma Kashchid Dukhabhag Bhavet,” which means “May all be happy, may all be free from illness, may all witness auspiciousness and may none suffer.” He said that the spirit of the verse reflects India’s timeless philosophy of universal well-being and collective health, and the book is a meaningful contribution towards realizing that ideal through awareness and preventive healthcare.

## SRH beat RCB by 55 runs



RB News: Sunrisers Hyderabad (SRH) defeated Royal Challeneners Bengaluru by 55 runs on Friday at the Rajiv Gandhi International Cricket Stadium. But, the Rajat Patidar-led squad finished top of points table en route to IPL playoffs. Half-centuries from Ishan Kishan, Heinrich Klaasen and Abhishek Sharma helped SRH to reach 255/4 in 20 overs against RCB. The defencing champions responded with 200 for four in 20 overs with skipper Rajat Patidar hitting 56 off 39 balls while Krunal Pandya made 41 not out.

## PBKS beat LSG by 7wickets



RB News: Punjab Kings (PBKS) defeated Lucknow Super Giants (LSG) by seven wickets at the Ekana Stadium in Lucknow on Saturday. After enduring six consecutive defeats, Punjab bounced back in style as Shreyas remained unbeaten on 101 off 51 balls, anchoring the chase with authority. He shared a crucial 140-run partnership for the third wicket with Prabhsimran Singh, who struck 69 off 39 deliveries, helping PBKS chase down LSG’s 196/6 in just 18 overs. Punjab finished on 200/3 to move to 15 points from 14 league matches and reclaim the fourth spot in the standings. However, their qualification fate now hinges on other results.

## East Bengal win 1st Indian Super League trophy





RB News: East Bengal won the Indian Super League for the first time in Kolkata on Thursday, ending a 22-year title drought in the nation's top-tier domestic league. East Bengal defeated Inter Kashi FC 2-1 in Kolkata, with goals from their star striker Youssef Ezzejjari and crowd-favourite midfielder Mohammed Rashid. East Bengal had last won the top-tier domestic league title during the 2003-04 season of the now obsolete National Football League.

## Vijay Shankar retires from domestic cricket and IPL



RB News: All-rounder Vijay Shankar has announced his retirement from domestic cricket and the Indian Premier League. In a heartfelt message posted on his official Instagram account, Vijay said: "I have decided to retire from playing domestic cricket and IPL to pursue new opportunities and play more cricket." Vijay, who debuted for his home state of Tamil Nadu back in 2012, featured for them for 13 years before making a late switch to Tripura for the 2025-26 season. Vijay also played all of his age-group cricket, starting from U13 with Tamil Nadu. He finishes with 77 first-class games to his name, with 4253 runs and 43 wickets. Vijay also played 112 List A fixtures (2790 runs & 73 wickets) and 159 T20s (2583 runs & 38 wickets).

## CSK fail to reach IPL playoffs for 3rd year in a row



RB News: Five-time champions Chennai Super Kings have officially crashed out of IPL 2026 in their last league stage match on Thursday after suffering the biggest defeat in their history, as Gujarat Titans stormed to a crushing 89-run win at the Narendra Modi Stadium in Ahmedabad. GT posted a total of 229/4 and dismissed CSK for 140 in 13.4 overs. CSK accumulated 12 points in 14 matches in IPL 2026 and have now gone three seasons in a row without reaching playoffs.

## CSK's Ruturaj Gaikwad fined for slow over-rate vs GT



RB News: CSK captain Ruturaj Gaikwad was fined ?24 lakh for maintaining a slow over-rate during the IPL 2026 match against GT on Thursday. This was CSK's second slow over-rate offence of the season under Article 2.22 of IPL Code of Conduct. Other members of playing XI were fined either 6 lakh or 25% of their respective match fees, whichever is lower.

# শিশু কৃষ্ণৰ লীলা

সেই নাটখনৰ মাজেৰে খুব সুন্দৰকৈ মহাপুৰুষ মাধৱদেৱ গুৰুজনাই প্ৰকাশ কৰিছে।

গোৱাল সকলৰ ৰাণী মাতৃ যশোদাই ত্ৰিজগতৰ পতি হৰিক পুত্ৰ হিচাপে পাইছিল। এগৰাকী মাতৃৰ হৃদয়ত থকা সন্তানৰ প্ৰতি যি প্ৰেম সেয়াই যেন মহাপুৰুষ মাধৱ দেৱ গুৰুজনাই "অৰ্জুন ভঞ্জন" নাটখনৰ মাজেৰে পৰিস্ফুত কৈ ভক্তিৰসৰ মাজেৰে সমাজ জীৱনলৈ কঢ়িয়াই আনিছে মাতৃ প্ৰেমৰ নিদৰ্শন।

যশোদাই দধিমথত কাৰ্যত ব্যস্ত থকাৰ সময়ত সাধাৰণ গৃহিণী মহিলা এগৰাকীৰয়ে ঘৰৰ কামত ব্যস্ত থকাৰ সময়ত যি অৱস্থা হয় যশোদাৰো ঠিক সেই একেই অৱস্থা হৈছিল। শ্ৰীকৃষ্ণই যশোদাক আমনি কৰিছিল পুত্ৰই মাতৃৰ কামত বাধা দি মাতৃ দুগ্ধ প্ৰাণ কৰিবলৈ বিচাৰিছিল, কামৰ মাজতে যশোদাই পুত্ৰক কোলাত লৈ মাতৃ দুগ্ধ প্ৰাণ কৰাই থকা সময়তে জুইত গৰম হ'বলৈ দি অহা গাখীৰ উতলি পৰাৰ কথা গোৱালী সকলে চিঞৰি যশোদাক জনালে লগে লগে শ্ৰীকৃষ্ণক কোলাৰ পৰা নমাই লৰা-লৰিকৈ পাকঘৰত উতলি থকা গাখীৰ নমালৈ যশোদাই পাকঘৰ পালে। আন ফালে শিশু কৃষ্ণই মাতৃৰ তেনে আচৰণত মাতৃৰ দুগ্ধপ্ৰাণত ব্যঘাত জন্মোৱাত খং উঠি ক্ষীৰ, লৱণুৰ পাত্ৰ বোৰ ভাঙি লণ্ড- ভণ্ড কৰিলে। নিজেও যিমান পাৰে খালে আৰু সিঁচৰিত হৈ থকা ক্ষীৰ, লৱণু খাবলৈ বান্দৰকো মাতি আনিলে। যশোদায় গাখীৰ নমাই পুণৰ দধি মথিবলৈ আহি কৃষ্ণই ভাঙি থোৱা ক্ষীৰ, লৱণুৰ পাত্ৰবোৰ দেখি মুৰে কপালে হাত দিলে। কৃষ্ণৰ তেনে কাৰ্যত স্বাভিকতে মাতৃ গৰাকীৰ খং উঠিবই সেয়ে কৃষ্ণকো একশিকনী দিবৰ বাবে এচাৰি লৈ কৃষ্ণক খেদি গ'ল। মাতৃৰ এচাৰি দেখি কৃষ্ণই দৌৰ দিলে আগে আগে কৃষ্ণ পিছে পিছে যশোদা, খেদি খেদি ভাগৰ লগাত কৃষ্ণই মাকক ধৰা দিয়ে। কৃষ্ণক শাস্তি দিয়াৰ নিমিত্তে যশোদাই উৰালত ৰছীৰে কৃষ্ণক বান্ধিবলৈ লৈ আচৰিত হল। প্ৰতি বাৰতে বান্ধিবলৈ এক আঙুল ৰছী নাটে চুটি হৈ পৰে। অৱশেষত যশোদায় প্ৰকৃততে যে কৃষ্ণৰে মায়া বুজি পালে। মাতৃৰ অন্তৰৰ কথা বুজি কৃষ্ণই লগে লগে বান্ধ খালে। বান্ধি থকা ৰছীৰ সৈতে কৃষ্ণই উৰালটো টানি ইফালে ইফালে ঘুৰি ফুৰি চোতাল পালে। চোতালত থকা অৰ্জুন গছ দুই জোপাৰ মাজেৰে উৰালটো সোমায় পৰিল। দুয়ো জোপা গছৰ মাজত পৰা উৰালটো টানি আনিব ধৰোতেই গছ দুয়ো জোপা উঘালি পৰিল।

গছ দুয়োজোপা আছিলে, নলকুবেৰ আৰু মনিগ্ৰীব দুই ভাতৃদ্বয়। যি শাপৰ ফলত বিশাল অৰ্জুন গছ হৈ আছিল শিশু কৃষ্ণৰ সংস্পৰ্শত কুবেৰৰ পুত্ৰদ্বয় শাপ মুক্ত হৈ আচল ৰূপ ললে আৰু কৃষ্ণক প্ৰণাম জনাই স্বৰ্গলৈ গুচি গ'ল।

এইফালে বতাহ বৰষুণ একো নোহোৱাকৈ গছ পৰা শব্দ শুনি নন্দ- যশোদা বাহিৰলৈ দৌৰি আহিল। উঘালি পৰা দুয়ো জোপা গছ দেখি বিস্ময় মানিলে। উঘালি পৰা গছৰ মাজত কৃষ্ণক দেখি নন্দই কোলাত তুলি লয় মৰম কৰে আৰু যশোদাই এনে নিষ্ঠুৰ শাস্তি বিহা বাবে নন্দ-যশোদাৰ মাজত খকা-খুন্দা লাগে আৰু তাতেই নাট খনৰ সমাপ্তি হয়।

নাট খনৰ মুল কাহিনী ভাগ এইখিনিয়ে হ'লেও গুৰুজনাই নাটখনত শ্লোক, সংলাপ আৰু গীতৰ সংমিশ্ৰনেৰে খং, অভিমান, মৰম, মাতৃৰ ঘৰখনৰ প্ৰতি থকা দায়িত্বৰ লগতে সন্তান লালন পালন কৰাৰ সময়ত সন্তানক কৰা মৰম আৰু শাসনৰ লগতে পুত্ৰস্নেহৰ সুন্দৰ নিদৰ্শন পোৱা যায়। তাৰ মাজৰে এগৰাকী মাতৃৰ সন্তানৰ প্ৰতি থকা মৰম আৰু আদৰ্শৰ কথাও সাৱলীল ভাবে বুজাই দিছে। অকল যে মৰমেৰে সন্তানক পালন নকৰি সন্তানৰ দুষ্টামি ৰোধিবলৈ মাজে মাজে কথোৰ হোৱাৰ উদাহৰণনো গুৰু জনাই খুবেই সুন্দৰ ভাবে প্ৰকাশ কৰিছে এইখিনি কৰোতে এগৰাকী মাতৃৰ পুত্ৰ স্নেহ আৰু পিতৃৰ মৰমৰ লগতে শ্ৰীকৃষ্ণৰ ঐশ্বৰিকত্ব আৰু মানবীয় ৰূপ দুয়োটাকে সুন্দৰ ভাবে ফুটাই তুলিছে।

# নীৰৱ ভাষাৰ শিশুসকল 'অটিজিম'

৪) সতোষী তাজিৰি (Satoshi Tajini)ঃ 'Pokeman'ৰ সৃষ্টিকৰ্তা, যাৰ অটিজিমৰ লক্ষণসমূহ দেখা পোৱা গৈছিল।

অটিজিমৰ ৩ টা গুৰুত্বপূৰ্ণ সমস্যাঃ

১) কথা প্ৰকাশ কৰা (অৰ্থপূৰ্ণ) আক সামাজিক যোগাযোগৰ সমস্যা। ক) নাম ধৰি মাতিলে সঁহাৰি নিদিয়া খ) চকুত চকু লৈ কথা নোকোৱা গ) নিজৰ প্ৰয়োজন বা শৰীৰৰ অনুভৱ শব্দৰে প্ৰকাশ কৰিব নোৱাৰা উদাহৰণস্বৰূপেঃ একে বয়সৰ অন্য শিশুৰে যেনেকৈ প্ৰস্ৰাৱ লগা, পায়খানা লগা, পিয়াহ, ভোক, ঠাণ্ডা, গৰম, গা-বেয়া লগা বিষোৱা, কাৰোবাক ভাল নলগা আদিবিলাক প্ৰকাশ কৰে, "মা, মোৰ ভয় লাগিছে", "মোৰ গাটো বেয়া লাগিছে", "অলপ ৰবাচোন ভৰিটো বিষাইছে" চোলাটো / চুৰেটাৰ খুলি দিয়া চোন, বৰ গৰম উঠিছে, সি বৰকৈ মাৰে, গালি পাৰে, দাদাৰ লগত নেখেলো ইত্যাদি ইত্যাদি বিলাক অটিষ্টিক শিশুৰে নিজৰ মাজতে সামৰি থয়। এবাৰ ভাবি চাবচোন কিমান কষ্ট হয়, যেতিয়া ঘামি ঘামি অটিষ্টিক শিশুৰে কান্দি থাকে, কোনেও নুবুজে, শ্ৰেণীকোঠাত মনে মনে থাকিবলৈ কব, তেওঁলোকৰ মানসিক স্থিতি দুৰ্বল হ'ব নে শক্তিশালী হ'ব ?

২) সামাজিক যোগাযোগ ও বুজাপৰাত অসুবিধাঃ অন্য শিশুৰ লগত নেখেলে (?) কিয়নো ভাল মনে কথা পতা, দুয়োজনৰ মাজত কথোপকথন নিতান্তই প্ৰয়োজনীয়। অগ্ৰজ সকলেই তেওঁলোকে বুজি নাপায়, একে বয়সৰ শিশুৰে আনজন কথা নোকোৱা শিশু লগত কেনেকৈ খেলিব ? সেয়ে অটিষ্টিক শিশুৰে কোনেও নুবুজা কাৰণে শেষত অকলশৰীয়া হৈ ৰয়। ভাবি চাবচোন সমাজৰ নাগৰিকসকল, আপুনি, মই সহযোগ কৰিব নোৱাৰোনে ? চকুলৈ নাচায় অটিষ্টিক শিশুসকলে বাৰু চকুলৈ নাচায় কাৰণ সমাজত তেওঁলোকক বেলেগ চকুৰেই চায় চকুলৈ নাচালেও অনুভৱ কৰিব পাৰে। তেওঁলোকে নাচালেও আমি জানো তেওঁলোকক মৰমৰ সঁহাৰি দিব নোৱাৰো। সমাজৰ প্ৰতিজন ব্যক্তিয়ে এবাৰকৈও শিশুটিক চকুলৈ চোৱাৰ প্ৰয়াস কৰে, এটা শব্দ, এটা আচৰণ শিকায়, মৰমৰ হাঁহি দিয়ে, তেন্তে লাহে লাহে তেওঁ লোকৰো যোগাযোগ ক্ষমতা বৃদ্ধি পাব। এই ধৰণৰ সহায়ে কেৱল শিশুটোকেই নহয়, তেঁওৰ পিতৃ-মাতৃ ও পৰিয়ালকো মানসিক শান্তি দিব।

৩) আচৰণৰ পুনৰাবৃত্তি আৰু ইন্দ্ৰিয়জনিত সমস্যাঃ হাতখনৰ লগত ব্যস্ত থকা ও জোকাৰি থকা একে কাম বাৰে বাৰে কৰা বা খেলবিলাক একেধৰণে খেলা। দৈনন্দিন ৰুটিন সালসলনিত কন্দা, চিএৰা বেছিকৈ খোৱা বা বাচনিযুক্ত খাদ্য, বেছি পোহৰ, শব্দ, গোন্ধ, কাপোৰ ইত্যাদিৰে সহ্য কৰিব নোৱাৰা এক অৱস্থা। উদাহৰণস্বৰূপে, যদি নতুন কাপোৰৰ টেগ বা বুটাম, চেইন, নাইলন কাপোৰ ইত্যাদিয়েও অস্বস্তি হোৱাত কাৰক হ'ব পাৰে ইয়াক জেদ্ নহয়, হাইপাৰচেন্‌চিটিভ বা হাইপ'চেনচিটিভ্ কোৱা হয়।

বিদ্যালয় আৰু অন্তৰ্ভুক্তিমূলক শিক্ষা (Inclusive Education)ঃ আজিৰ অটিষ্টিক শিশুৰ অভিভাৱকৰ মুখাৱয়ৱত কেৱল চিন্তা আৰু পৰিতাপ। মুষ্টিমেয় সংখ্যক বিদ্যালয়ত Special Educator (বিশেষভাৱে সক্ষম শিশুৰ শিক্ষক) ৰ নিযুক্তি নিদিয়ে। এখন চৰকাৰী বা বেচৰকাৰী বিদ্যালয়ত এজন Psychologist (মনোবিজ্ঞানী), Psychiatric Social Worker বা Social Worker (মনোৰোগ সমাজ কৰ্মী বা সমাজ কৰ্মী), special educator ৰ নিযুক্তি নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে।

পেছাদাৰী / থেৰাপিষ্টৰ অভুতপূৰ্ব সহায়ৰ প্ৰয়োজনীয়তাঃ অটিজিমৰ ক্ষেত্ৰত বহুমুখী পেছাদাৰীসকলৰ সহায়ৰ অবিহনে তেওঁ লোকক আগবঢ়াই নিবলৈ প্ৰায় অসম্ভৱ। বিভিন্ন বিশেষজ্ঞ ই শিশুৰ বিকাশৰ ক্ষেত্ৰত সুকীয়া ভূমিকা পালন কৰে।

ঃ মনোবিজ্ঞানী- (Psychologist) মনোবিজ্ঞানীয়ে শিশুৰ আচৰণ, অনুভৱ, মনোযোগ আৰু মানসিক বিকাশজনিত দক্ষতা মূল্যায়ন কৰে। Behaviour therapy আৰু Counselling ৰ মাধ্যমে শিশুৰ আৱেগ বা অনুভূতি নিয়ন্ত্ৰণ উন্নত কৰাত সহায় কৰে।

ঃ মনোৰোগ সামাজিক কৰ্মী- (Psychiatric social worker) (PSW) মনোৰোগ সামাজিক কৰ্মীয়ে পৰিয়ালক পৰমৰ্শ দান (Family Counselling), বিদ্যালয়ৰ সৈতে সমন্বয়ক হিচাপে (School Co-ordinator)সমাজত সচেতনতা বৃদ্ধি (Community Awarness) আৰু ৰিহেবিলিটেচন (Rehabili-tation) ত সহায় কৰে। অভিভাৱক ও সমাজৰ ব্যক্তিসকলক 'অটিজিম' ক গ্ৰহণ কৰাত এওঁলোকে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।

ঃ স্পিচ থেৰাপিষ্ট- (Speech Therapist) সকলৰ অৱদান অতুলনীয়। তেওঁলোকে শিশুৰ যোগাযোগ ক্ষমতা, ভাষাগত বিকাশ আৰু নিজৰ অনুভৱ প্ৰকাশ কৰাৰ দক্ষতা উন্নত ও মুখৰ মাংসপেশী সৱলীকৰণ তথা জিভাৰ ভূমিকা, প্ৰশিক্ষণ দি সঠিক কৰে।

ঃ অকুপেচনেল থেৰাপিষ্ট- (Occupational Therapist) এইসকলে স্নায়ুৰ মাজৰ কথোপকথন, মগজু বিকাশ, ইন্দ্ৰিয়ৰ সন্তুলন (Sensory Balance), মটৰ দক্ষতা (Gross and Fine), ডাঙৰ আৰু সৰু মাংসপেশীৰ সবলীকৰণ ও দৈনন্দিন জীৱনৰ দক্ষতা উন্নত কৰাত অভুতপূৰ্ব ভূমিকা প্ৰদান কৰে।

ঃ বিশেষ শিক্ষাবিদ (Special Educator)- Special educator এ শিশুৰ বিকাশৰ ক্ষেত্ৰত ও বিদ্যালয়সমূহত শিশুসকলে যাতে বাকী শিশুসকলৰ লগত সমানে আগবাঢ়ি যাব পাৰে, তাৰ কাৰণে তেখেতৰ অৱদান যথেষ্ট। তেওঁ অটিষ্টিক শিশুসকলৰ পঢ়াৰ লগতে খেলা-ধূলাৰ ক্ষেত্ৰত তথা অভিভাৱক সকলক 'পেৰেন্ট ইনভলভমেন্ট প্লেন' তথা PIP ৰ ক্ষেত্ৰতো সহায় কৰিব পাৰে।

ঃ যোগ আৰু শাৰীৰিক ব্যায়াম- যোগ আৰু শাৰীৰিক ব্যায়ামে অটিষ্টিক শিশুৰ ইন্দ্ৰিয়ৰ সন্তোলন, শৰীৰৰ ভাৰসাম্যতা, মনোযোগ আৰু সামাজিক যোগাযোগক উন্নত কৰাত অভুতপূৰ্ব ভূমিকা পালন কৰে। ইয়াৰ ভিতৰত ভাড়াসন, বৃক্ষাসন, ভুজঙ্গাসন, নমস্কাৰ, বালাসন, প্ৰাণায়াম আদিয়ে উৎকণ্ঠা (Anxiety) আৰু আত্ম-নিয়ন্ত্ৰণত সহায় কৰে। (যোগে কৰ্মত দক্ষতা আনে)

সামৰণিঃ অটিজিম এক ভিন্নতা, তেওঁলোকক শুদ্ধ কৰাবলৈ নহয়, তেওঁলোকৰ পৃথিৱীখন বুজিবলৈ চেষ্টা কৰো আহক। আপুনি, মই সকলোৱে শিকালে তেওঁলোকেও শিকিব। তেওঁলোকে দয়া নহয় - মৰ্যাদা, গ্ৰহণযোগ্যতা আৰু অন্তৰ্ভুক্তি দিয়ক।

"বসুদেব কুটুম্বকম" (সমগ্ৰ পৃথিৱী এক পৰিয়াল) আহক, আমি সমাজ, চৰকাৰী ও বেচৰকাৰী বিদ্যালয়, পৰিয়াল আৰু পেছাদাৰী বিশেষজ্ঞ সকলে একেলগে আগবাঢ়ি অটিষ্টিক শিশুৰ আত্মবিশ্বাস, মৰ্যাদা আৰু সম্ভাৱনাৰে ভৰা এক আত্মনিৰ্ভৰ জীৱন গঢ়াত পূৰ্ণ সহযোগ আগবঢ়াও।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286